REFERENCE

# Assam
# Legislative Assembly
# Debates

## Officials Reports

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRTIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

**VOL. 1 NO. 32**

Dated the 23rd June, 1978

PRINTED AT CONGRESS PRESS 1986
GUWAHATI-3

REFERENCE
Not for Issue
Reading only inside Library

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY 1978

( Budget Session )

Volume 1

No. 32

Dated the 23rd June, 1978

Contents:

| | Pages |
|---|---|
| 1. Questions | 1—43 |
| 2. Miscellaneous | 43—44 |
| 3. Calling Attention Notice | 44—49 |
| 4. Matter Under Rule 301 | 50—59 |
| 5. Private Member's Resolution | 59—74 |
| 6. Adjournement | 74 |

Proceedings of the Budget Session of the Assam Legislative Assembly assembled after the Sixth genral Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Gauhati on Friday, the 23 rd june 1978 with the Hon. Speaker in the Chair, 11 (eleven) Minister; 3 (three) Ministers of State, 4 (four) Parliamentary Secretaries and 94 ( ninety four ) members present.

## STARRED
## QUESTIONS AND ANSWERS

( To which oral answers were given )

Date : 23rd June 1978

Starred question No. 308 was not put, member being absent

### বিঃ সোনাৰী মহকুমা

শ্ৰীসত্য ভ'াভীয়ে সুধিছে ঃ

* ৩০৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) সোনাৰীত মহকুমা গঠনৰ বাবে চৰকাৰে কোনো প্ৰস্তাৱ লৈছে নেকি ?

(খ) যদি লৈছে কেতিয়া কৰা হব ?

শ্ৰী গোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) যে উত্তৰ দিছে ঃ

৩০৯। (ক) — ৰাজ্যখনত নতুন জিলা আৰু মহকুমা গঠনৰ বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(খ)-(ক) প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্নৰ উত্তৰ নুঠে।

শ্ৰী যোগেন গগৈ :— ১৯৭৭ চনতে বাতৰি কাকতত সোনাৰীত এটা

মহকুমা গঠন কৰা হব বুলি প্ৰকাশ পাইছিলে এই কথা সচা নে ?

শ্ৰী গোলাপ বৰবৰা ( মুখ্য মন্ত্ৰী ): — এই মহকুমা গঠন সম্পৰ্কে ইয়াৰ আগতেও ভালেমান প্ৰশ্নৰ সন্দৰ্ভত আলোচনা হৈছে আৰু মই কৈছিলো যে গোটেই প্ৰশ্নটো অসমত বিভিন্ন মহকুমা বা জিলা গঠণৰ কথাটো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰী যোগেন গগৈ:— কোনো ব্যৱস্থা নোহোৱাটো চিন্তাৰ বিষয়। মই জানিব বিছাৰিছো শিৱসাগৰ মহকুমাৰ ৬ জন বিধায়কে এখন ডাঙৰ অভিবৰ্ত্তন পাতি তাত সোনাৰীক মহকুমা কৰিব লাগে বুলি দাবী উতথাপন কৰিছিলো আৰু সেই সম্পৰ্কীয় স্মাৰক পত্ৰ পাইছো বুলি কৈছে। গতিকে এই কথাটোও লগতে বিবেচনা কৰা হব ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— এই সকলোবিলাক কথা একেলগে বিবেচনা কৰা হব।

শ্ৰীভবেন শইকীয়া :— অকল শিৱসাগৰ বুলিয়ে নহয় অসমৰ বিভিন্ন ঠাইতে এই সমস্যা হৈছে। গতিকে এই বিষয়টো বিবেচনা কৰোঁতে কিমান দিন লাগিব মন্ত্ৰীমহোদয়ে জনাব নে ?

শ্ৰী গোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :—এই গোটেই কথাটোৰ লগতে আৰ্থিক অৱস্থা জৰিত আছে আৰু সেই কাৰণে আমি ফাইনেঞ্চ কমিচনটো এই কথাটো উৎথাপন কৰিছো। তেওঁ লোকৰ অনুমাদিন পোৱাৰ ভিত্তিত এই কথাটো বিবেচনা কৰা হব। এনেই আগতে মহকুমা ঘোষণা কৰি দিলে লাভ নহয়। ইয়াৰ আগতে ৬-৭ বছৰ আগতে মহকুমা ঘোষণা কৰোতে আমি কি অৱস্থা হৈছে দেখিছো। কাছাৰীঘৰ নাই, মহকুমা ধিপতি থাকিবলৈ ঘৰ নাই। সিদিনা অলপতে মৰিগাওঁ মহকুমাৰ কাছাৰীঘৰৰ কৰণে চাবে দহ লাখ চে'চন কৰা হৈছে তাৰ পৰাই সদস্য সকলে অনুমান কৰিব পাৰে কিমান

টকাৰ দৰ্কাৰ হব। প্ৰায় ১ কোটিমানকৈ টকা লাগিব। সেই ভিত্তিত এই জিলা বা মহকুমা গঠনৰ কথাটো চৰকাৰে বিবেচনা কৰিব লাগিব।

শ্ৰী শ্‌ল বৰা ঃ— বিবেচনাধীন হৈ থকা নতুন মহকুমা কেইটাৰ নাম মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে ?

শ্ৰী গোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— এতিয়াই কব পৰা নহয়।

শ্ৰী শান্তিৰজন দাসগুপ্ত .— মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ফাইনেঞ্চ কমিচনৰ এৱাৰ্ড কিমান দিনৰ ভিতৰত জনা যাব ?

শ্ৰী গোলাপ বৰবৰা (মুখ্য মন্ত্ৰী);— আগষ্ট মাহত জনা যাব।

শ্ৰী ৰমেশ চন্দ্ৰ চহৰীয়া ঃ— মহকুমা আৰু জিলা গঠণৰ কাৰনে ফাইইনেন্স কমিচনক কিমান টকাৰ অনুদান বিচৰা হৈছে মুখ্যমন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰী গোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ—আৱশ্যকীয় অনুদানৰ কাৰণে কোৱা হৈছে।

শ্ৰী ৰনেন্দ্ৰ বসুমতাৰী ঃ— এতিয়ালৈকে নতুন মহকুমা বা জিলা গঠনৰ ক্ষেত্ৰত প্ৰশ্নৰ মাধ্যমেৰে বা বাহিৰতো আলোচনা বিলোচনা হৈ আছে কি তথ্যপাতিৰ ভিত্তিত এই মহকুমা বা জিলা গঠণ কৰা হব মুখ্যমন্ত্ৰীয়ে জনাব নে ?

শ্ৰী গোলাপ বৰবৰা (মুখ্যমন্ত্ৰী ঃ— জনসংখ্যা আৰু প্ৰশাসনীয় সা-সুবিধাৰ কথা বিবেচনা কৰি কৰা হব।

মঃ চানচুল হুদাঃ— বাৰে বাৰে বিধান সভাত এই বিষয়টো আলোচনা হৈছে আৰু কহলী কমিচনৰ অনুমোদনৰ কথা সদনত মন্ত্ৰী মহোদয়ে ব্যক্ত কৰিব বিচৰা নাই অথচ এই কথাবিলাক বাতৰিত ওলাইছে আৰু জনমতো গঢ়ি উঠিছে এইটো কেনেকৈ হবলৈ পালে ?

শ্ৰী গোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ): এইটো আগৰ পৰাই হৈ আহিছে নতুন চৰকাৰে দায়িত্ব লোৱাৰ পিচত ওলোৱা নাই। আগৰ পৰাই চলি আহিছে।

## Re ; MOHKUMA PARISHAD

Shri BAIKUNTHA NATH DAS asked ;

* 310. Will the Minister, Panchayat be pleased to state –

(a) Whether it is a fact that the term of present Mohkuma Parishad will be over by the end of May, 1978 ?

(b) If so, whether the Government proposes to hold the election immediately ?

(c) If not, whether the present Mohkuma parishad will continue or other alternative arrangement will be made ?

Shri ZAHIRUL ISLAM ( Minister, Panchayat ) replied

310 (a)— Yes.

(b) —No. It has not been possible.

(c)—As there is no provision for such measures in the existing A.P.R. Act, a Bill has already been introduced in the current session of the Assembly to provide for the same.

Shi Baikuntha Nath Das— If the term of the Mohkuma parishad is over then under what rules it still function ?

Shri Zahirul Islam, (Minister) :— There is no Provision to dissolve the Mohkuma Parishad, so a Bill has been introduced.

Shri Baikuntha Nath Das – whether the actions taken by the present Mohkuma Parishad will be legal or illegal ?

Shri Altaf Hussain Mazumdar : Will it depend on the Bill which is coming ?

Shri Zahirul Islam, (Minister):— There is no provision

in the present Act, so to legalise the term the bill has been introduced.

শ্ৰী মঃ ছামচুল হুদা:— পঞ্চায়ত ৰাজ আইনত পৰিস্কাৰভাবে আছে যে মহকুমা পৰিষদৰ কাৰ্য্যকাল মাত্ৰ ৪ বছৰৰ হব, তাতকৈ বেছি নহয়। এই পৰিপ্ৰেক্ষিতত ৪ বছৰৰ পিচত এটোমেটিকেলি তাৰ ম্যাদ উকলি গৈছে। তথাপিও ভাত কাৰ্য্যবাহী বিষয়াৰ দ্বাৰা কিয় চলাবলৈ দিয়া হোৱা নাই মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰী কেশৱ চন্দ্ৰ গগৈ ( আইন মন্ত্ৰী ):— পঞ্চায়ত আইনত এটা প্ৰভিজন আছে যেতিয়াৰ পৰা পঞ্চায়ত গঠন কৰা হ'ল নতুন পঞ্চায়তৰ প্ৰথম মিটিং নোহোৱালৈ তেওঁলোকেই থাকিব লাগে সেইটো প্ৰভাইদেদ বুলি আছে আৰু সেই আইন ঠিক হোৱা নাই বুলি ভাবিয়ে আমি ইতিমধ্যে এখন বিল এই সদনত আনিছো, মাননীয় সদস্য সকলৰ অনুমোদন পালেই নতুন বিধি ব্যৱস্থা লব পৰা হব

Shi Golok Rajbangshi- Is it a fact that the Mohkuma Parishad has been communicated by the Govt. that they are allowed to continue till the next election is hold ?

শ্ৰী জহিৰুল ইচলাম ( পঞ্চায়ত মন্ত্ৰী ):— ওৱাৰলেচ দি খবৰ দিয়া হৈছে, দে টু দে কামখিনি চলাই যাবৰ কাৰণে।

শ্ৰী মঃছামচুল হুদাঃ— মই মন্ত্ৰী মহোদয়ৰ পৰা বিছাৰিছে যে পঞ্চায়ত আইনত পৰিস্কাৰ ভাবে লিখা আছে যে তেওঁলোকৰ ম্যাদ ৪ বছৰ। এতিয়া ৪ বছৰযে হৈ যোৱাৰ পিচতো কি আইনৰ ধাৰা মতে তেওঁলোকে কাৰ্য্যকাল নিয়মীয়াভাৱে চলাই যাব পাৰে ?

শ্ৰী কেশৱ চন্দ্ৰ গগৈ (আইন মন্ত্ৰী):— এইবিলাক কথা বিবেচনা কৰিয়ে এই সংশোধনী আইন এই সদনত অনা হৈছে আৰু সদস্য সেকল অনুমোদন দিলে সেইমতে ব্যৱস্থা কৰা হব।

Shri Premadhar Bora— Sir, I want to know from the Minister in-charge of Panchayat categorically

whether the present Panchayati Raj administration is in vacuam after expiry of the four years term in May 1978 ? Today is 23rd June, what is the arrangement made for this period ; whether action taken by the erstwhile Panchayat will be legalised ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)— হয়, সেইটো বিবেচনা কৰিয়েই এই আইন খন অনা হৈছে, মুঠতে এবছৰলৈকে তিনিমাহ তিনিমাহকৈ এক্সটেনশ্যন দিবৰ কাৰণে এই আইনখনত ব্যৱস্থা ৰখা হৈছে।

শ্ৰীভৃৱনেশ্বৰ বৰ্মণ,— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টকৈ জানিব বিচাৰিছো যে চাৰি বছৰৰ পিচত পঞ্চায়ত নিৰ্ব্বাচন কৰাৰ যিটো আইন সেই আইনৰ ধাৰাটো বৰ্ত্তমানো আছে নেকি ? আৰু এই চাৰি বছৰীয়া টাৰ্মটো শেষ হোৱাৰ পিচত নতুন কমিটি নোহোৱালৈকে আগৰ কমিটিয়ে দায়িত্ব চলাই থাকিব, এনে এটা প্ৰভিজন থকা কথাটো সচা নেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)— এই আইনৰ ধাৰাটো লৈ আমাৰ মনত এটা সন্দেহৰ সৃষ্টি হৈছে আৰু সেই কাৰণেই এই সংশোধনটো কৰিবৰ কাৰণে দিহা কৰা হৈছে।

Shri Giasuddin Ahmed :— The amendment of the bill is referred to. May I know whether any alternative arrangement will be made according to the provision of theBill ? If so, what is that alternative arrangement ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) —বিলখন যেতিয়া আহিব তেতিয়া এই প্ৰশ্নটো আলোচনা কৰা হব আৰু উত্তৰ দিয়া হব।

Shri Giasuddin Ahmed:— Some alternatives have been made. What are those alternative arrangements and whether the bill has been referred

to make some other alternative arrangement.

শ্ৰী কেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)—এই অলটাৰনেটিভ এৰেঞ্জমেন্ট ব্যৱস্থা কৰা হৈছে কেইবাটাও কথাৰ বিবেচনাৰ পিচত। বিলখন সদনত এতিয়াও অহা নাই, সেই কাৰণে প্ৰশ্নটোৰ উত্তৰ দিয়া কঠিন হৈছে।

Shri Ranendra Narayan Basumatari: Mr. Speaker, Sir, may I know from the honourable Minister as the Minister has already stated that the wireless massage has already been sent to Muhkuma parisads to run their day to day administration, what Government want to say by day to day administration? Whether the Councillor will remain as the Councillor and the Executive Councillor will remain as the Executive Councilior and they will be holding the Executive Meeting and transact the normal business or some other things?

শ্ৰী কেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) - তেনেকৈয়ে দে বাই দে চলি আছিছে।

শ্ৰী যোগেন গগৈ :—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাইছে যে আইনসঙ্গত নোহোৱাকৈ এনে কাৰবাৰ চলি আছে, কিন্তু যি প্ৰভিজন মতে এই ব্যৱস্থা চলি আছে নিৰ্ব্বাচন হোৱাৰ পিচত সেইবোৰ অবৈধ বুলি ঘোষণা কৰা হবনে নহয় ?

শ্ৰী কেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী)— চৰকাৰৰ এই বিষয়ে সন্দেহ আছে। সেই কাৰণে এই আইনখন অনা হৈছে কি উপায়েৰে এইটো আইনসঙ্গত কৰিব পৰা যায়

Re: Electoral Rolls of last Assembly Election

Shri M. SHAMSUL HUDA asked:

*311. Will the Chief Minister be pleased to state—

(a) The total number of the citizens of India aged 21 years or above parmanently residing in Assam ?

(b) Whether each and all of them were included in the electoral rolls used in the last election to the 6th Legislative Assembly of the State ?

(c) If not, why ?

Shri GOLAP BORBORA ( Chief Minister ) replied :

311. (a)—Such figures are not maintained.

(b) -All citizens of India attaining 21 years of age or above on 1st January 1977 and ordinarily residing in Assam and found otherwise eligible have been normally included in the roll used during 6th General Election to State. L.A. 1978.

(c)—Does not arise

Re: Electoral Rolls of Last Assembly Election

Shri M. SHAMSUL HUDA asked :

*312. Will the Chief Minister be please to state—

(a) Whether it is a fact that all over Assam the names of a large number of the electors who cast their votes in the Lok Sabha Poll in 1976 were excluded from the elcetoral rolls during election to the Legislative Assembly of Assam in 1978 ?

(b) If so, the total number of such names ?

(c) Why these names were excluded ?

Shri GOLAP BORBORA ( Chief Minister ) replied :

312. (a)—Some of the eligible electors who exercised their franchise in the 6th General Election to

Lok Sabha 1977 ( and not 1976 ) appears to have been excluded from the Electoral Roll used during the General Election to State L.A. 1978.

(b)—Does not arise

(c)—Does not arise.

মঃ ছামছুল হুদা : — অধ্যক্ষ মহোদয়, যোৱা ২০ বছৰে দেখা যায় দুটা কাৰণত ভোটাৰ তালিকাৰ পৰা প্ৰাপ্ত বয়স্ক ভোটাৰ সকল বাদ পৰি আহিছে। এটা হৈছে, চৰকাৰে প্ৰেচৰ খৰচ কমাবৰ কাৰণে একেটা প্ৰেচতে প্ৰিণ্ট -কৰিবলৈ দিয়ে আৰু দ্বিতীয়টো হৈছে ৰাজনৈতিক ভাবে চৰকাৰী পক্ষ সমৰ্থন নথকা মানুহবিলাকক পৰিকল্পিত ভাবে বাদ -পেলাই আহিছে, এইটোৰ অবসান ঘটোৱা হব নে ?

শ্ৰীগোলাপ বৰবৰা -- ( মূখ্য মন্ত্ৰী ) -- অধ্যক্ষ মহোদয়, মই নিজে কংগ্ৰেছ বিৰোধী প্ৰাৰ্থী হিচাপে কেইবাবাৰো নিৰ্বাচনত উঠি দেখিছো বিশেষকৈ যোৱাবাৰ লোক সভাৰ নিৰ্বাচনত মই নিজে প্ৰাৰ্থী আছিলো। ডিব্ৰুগড় লোকসভা সমষ্টিৰ নিৰ্বা-চনৰ বাবে যি সকল ভোটাৰৰ নাম আছিল তিনিচুকীয়া বিধান সভাৰ নিৰ্বাচনৰ বাবে সেই সকলৰ কিছুমানৰ নাম বাদ পৰি গৈছে। এই বিলাক কথা বহুত সময়ত বিভিন্ন সমষ্টিত দেখা যায়। বহুসময় ত দেখা যায় যে অলপ দিনৰ কাৰণে যিবিলাক লৰা এনুম ৰেটৰ হিচাবে লোৱা হয় সেই লৰা বিলাকে মানুহৰ ঘৰলৈ বহুত ঠাইত বহুত সময়ত নাযায় আৰু বহু মানুহৰ নাম ভৰ্ত্তি কৰিবলৈ এৰি দিয়ে। মই নিজে দেখিছো তিনিচুকীয়াত থকা হিন্দুস্থানী মানুহৰ :বহুতৰে ক্ষেত্ৰত এনে হয় যে একেটা ঘৰতে বহুত মানুহ আছে, ৰাতি পুৱাই কামলৈ ওলাই গল, যিটো আছিল ৰাম ইকবাল তেওঁক পাই তেওঁৰ নামটো লিখি আনিলে আৰু বাকীখিনি বাদ পৰি গল — এইদৰেই ১০-.৫ জনৰ নাম বাদ পৰি যায়।

এনেদৰেই কিছুমান ঠাইত কিছুমান এলেকা আনকি একো একোখন গাৱেঁই বাদ পৰি যায়। আনহাতে মাননীয় সদস্যজনে কোৱাৰ দৰে অলপ ৰাজনৈতিক কাৰণো থকা যেন মোৰ অন্ততঃ সেইসময়ত লাগিছিল, কাৰণ সদায় নিৰ্দিষ্ট ভাৱে অপজিচনক ভোট দি থকা এলেকা বোৰ বাদ পৰা দেখা গৈছিল। এইবিলাক আগৰ চৰকাৰৰ ইচ্ছাকৃত আছিল নে কাৰোবাৰ ভূলৰ কাৰণে হৈছিল কব নোৱাৰোঁ। ভবিষ্যতে যাতে নহয় তাৰ কাৰণে সজাগ দৃষ্টি থাকিব।

শ্ৰীযোগেন গগৈঃ— অধ্যক্ষ মহোদয়, অকল নামেই নহয়, একোখিলা পাট আৰু গাৱেঁ। বাদ পৰি যোৱাৰ কথা আমি জানো। কিছুমান নিৰ্ব্বাচনী অফিচত কোনো ধৰণৰ বিশেষ সূত্ৰ জড়িত থাকি লৰালৰিকৈ প্ৰেছত দিব লগা হোৱাৰ ফলত লৰালৰিৰ কোবত একোখন গাৱেঁই বাদ পৰি যায় আৰু স্বামী-স্ত্ৰীৰ নামৰ কোনো সম্বন্ধ নাইকীয়া হৈ পৰে। গতিকে দূৰ কৰাৰ ব্যৱস্থা কৰা হবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী)— ভবিষ্যতে যাতে এনে গণ্ডগোল নহয় তাৰ কাৰণে চেষ্টা কৰিম।

শ্ৰীনৰেন দত্তঃ— যোৱা লোকসভাৰ নিৰ্ব্বাচন আৰু বিধান সভাৰ নিৰ্ব্বাচনৰ কাৰণে ভোটাৰ লিষ্ট প্ৰস্তুত কৰাৰ সময়ত আগতে ১৯৫৭, ১৯৬২, ১৯৭১ চনত নিৰ্ব্বাচনত অংশ গ্ৰহণ কৰা বহুত বিলাক গোষ্ঠী ভোটাৰ তালিকাৰ পৰা বাদ পৰি গৈছে এই সম্পৰ্কত নিৰ্ব্বাচনী আয়ুক্তক অসম চৰকাৰে বিশেষ নিৰ্দেশ দিয়া হোৱা নাছিল নে এই কথা জনাবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী)ঃ— এটা কথা আমি গম পাইছিলো যে চিটিজেনশ্বিপ চাৰটিফিকেটৰ সম্বন্ধত কাবাকাৰী কৰা হৈছিল। এই চিটিজেনশ্বিপ চাৰটিফিকেটৰ সম্পৰ্কত মই যেতিয়া জনতা পাৰ্টিৰ সভাপতি আছিলো তেতিয়াও নিৰ্ব্বাচনী আয়ুক্তক টেলিগ্ৰাম আদি কৰি জনাইছিলো। কিছুমান সংখ্যালঘু

সম্প্ৰদায়ৰ ক্ষেত্ৰত বিশেষকৈ বাংলাদেশী বুলি ধৰি লৈছিল। যি বিলাকে ৩।৪ পুৰুষ ধৰি ইয়াত বসবাস কৰি আহিছে তেওঁলোকেও চিটিজেনশ্বিপ চাৰটিফিকেট লব লাগে। এই দৰে যি সকল লোকে বহুত দিন ধৰি ইয়াত বাস কৰি আহিছে তেওঁলোক চিটিজেনশ্বিপ চাৰটিফিকেট লব লাগে বুলি নাজানে আৰু চিটিজেনশ্বিপ চাৰটিফিকেট লবলৈ যাওঁতেও বহুত বিলাক জামেলা থাকে। এই বিলাক কথাৰ কাৰণে কিছুমান মানুহ বাদ পৰি গৈছে।

Shri Fokhrul Islam : Mr. speaker, Sir, I would like to thank the Chief Minister that in future he will take necessary action for not including the names of a large number of voters in the voters list. Now I would like to know, if it is found that some Election Officer failed to enlist the names of a large number of voters in the list whether any action will be taken against those officers responsible for deleting such large oumber of people ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্য মন্ত্ৰী ) :— আমি এই বিলাক কি কৰিব পৰা যায় সেই কথা অধ্যয়ন কৰি চাই আছো। আমাৰ অতীতত কি হয় সেই কথা চিন্তা নকৰি ভবিষ্যতে ২১ বছৰীয়া ভোটাৰক লৈ স্থায়ী লিষ্ট কৰিবৰ কাৰণে আমি ব্যৱস্থা কৰি আছো।

শ্ৰীদেবানন্দ বৰা :— নতুন চৰকাৰে ১৮ বছৰ বয়সীয়া সকলক ভোটাধিকাৰ দিয়াৰ সম্পৰ্কত বিবেচনা কৰিছে নেকি ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্য মন্ত্ৰী ) :— এইটো অসম চৰকাৰৰ কথা নহয়। এই সম্পৰ্কৰ সৰ্বভাৰতীয় ক্ষেত্ৰত চিন্তা চৰ্চা চলাই আছে। এই সম্পৰ্কত বিভিন্ন ৰাজনৈতিক দলে আলোচনা চলাই আছে। আশাকৰো কিবা ব্যৱস্থা গ্ৰহণ কৰা হব।

শ্ৰীলক্ষ্যনাথ দলে :— মুখ্য মন্ত্ৰীয়ে কলে যে আগৰ চৰকাৰৰ দিনত

ভোটাৰ তালিকাত নাম ভৰ্ত্তি কৰিবলৈ চিটিজেনশ্বিপ চাৰটিফিকেট লাগিছিল এই চৰকাৰৰ দিনত বাহিৰৰ পৰা অহা মানুহক ভোটাৰ লিষ্টত ভুক্ত কৰিবলৈ চিটিজেনশ্বিপ চাৰটিফিকেট লাগিবনে নালাগে ?

শ্ৰীগোলাপ বৰবৰা ( মূখ্য মন্ত্ৰী ) : আমাৰ ইয়াৰ যি সকল স্থায়ী অধিবাসী সেই সকলৰ নীতি নিয়মৰ ব্যৱস্থা কৰিম । কিন্তু আগতে চিটিজেনশ্বিপ চাৰটিফিকেটৰ যিটো কাৰাকাৰি আছিল সেইটো ইমান মুখ্য নহব ।

শ্ৰীএ-এন-আক্ৰম হুচেইন :— মুখ্য মন্ত্ৰী মহোদয়ে নিজে স্বীকাৰ কৰিছে যে বহুত বিলাক মজদুৰ ভোটাৰ লিষ্টৰ পৰা বাদ পৰি গৈছে । মই প্ৰশ্ন কৰিব খুজিছো মজদুৰ অঞ্চলত আৰু উদ্যোগ অঞ্চলত নিশাগৈ ভোটাৰ লিষ্ট তৈয়াৰ কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগোলাপ বৰবৰা ( মূখ্যমন্ত্ৰী ) :— সেই ক্ষেত্ৰত কোনো এটা বিশেষ গোষ্ঠী বাদ দিয়াৰ কথা হোৱা নাই । মই নিজে দেখিছো যে বহুত বিলাক খিলঞ্জীয়া অসমীয়া মানুহো ভোটাৰ লিষ্টৰ পৰা বাদ পৰি গৈছে । সংখ্যালঘু সম্প্ৰদাৰ মানুহো বাদ পৰিছে । বাগানৰ মানুহো বাদ পৰিছে মই তিনিচুকিয়াৰ ওচৰৰ এখন বাগানৰ কথা জানো যত ৭০০ মানুহ আগতে কেবাটাও নিৰ্ব্বচনত ভোটৰ লিষ্টৰ পৰা বাদ পৰি গৈছিল । এই দৰে সকলো গোষ্ঠীৰে বাদ পৰি গৈছেল । এই বিলাক যাতে বাদ পৰি নাযায় তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো ।

বিঃ Auxiliary Nurse-Cum-Midwife and General Nurse

শ্ৰীএম, ইব্ৰাহিম আলীয়ে শুধিছে :

*৩১৩ মানীয় সংসদী পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে

(ক) Auxiliary Nurse-Cum-Midwife and General Nurse প্ৰশিক্ষণৰ কাৰণে এইবাৰ কিমান গৰাকী ছোৱালী লোৱা হৈছে ?

(খ) তাৰ মাজত সংখ্যা লঘু সম্প্ৰদায়ৰ বিশেষকৈ মুছলমান ছোৱালী কিমান জনীয়ে ছিট পাইছে ?

(গ) এই বিষয়ৰ ওপৰত মহকুমা ভিত্তিক পৰিসংখ্যা জনাবনে ?

(ঘ) ৪৫ নং ৰাঙৰৰ বিধান সভা সমষ্টিৰ উপ স্বাস্থ্য কেন্দ্ৰবোৰত অৰ্হতা

সম্পন্ন A.N.M. কম্পাউণ্ডাৰ কিমান আছে ?

শ্ৰীচুলাল চন্দ্ৰ বৰুৱা (সংসদী পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩১৩। (ক)—১৯৭৮ চনত A.N.M. প্ৰশিক্ষণৰ বাবে ১১৯ গৰাকী আৰু G.N.M. প্ৰশিক্ষণৰ বাবে ১২৮ গৰাকী ছোৱালী লোৱা হৈছে ।

(খ) -G.N.M. প্ৰশিক্ষণৰ বাবে ৪ গৰাকী আৰু A.N.M. প্ৰশিক্ষণৰ বাবে ৬ গৰাকী মুছলমান ছোৱালীয়ে ছিট পাইছে ।

(গ)— দুখন তালিকা সদনৰ মেজত থোৱা হৈছে ।

(ঘ)— বাঘবৰ বিধান সভা সমষ্টিৰ কদমতলা আৰু মইনাবাৰী উপ স্বাস্থ্য কেন্দ্ৰত একো গৰাকীকৈ A.N.M. দিয়া হৈছে ।

বাকী কেইটা উপ স্বাস্থ্য কেন্দ্ৰত যেনে — বাঘবৰ, উজিৰাচৰ, ডঙৰা বাগনিমাৰাচৰ আৰু চতলা মহকুমা পৰিষদে চলাই আছে । গোটেই কেইটা উপ স্বাস্থ্য কেন্দ্ৰতে কম্পাউণ্ডাৰ আছে ।

শ্ৰীএম ইব্ৰাহিম আলী :— মন্ত্ৰী মহোদয়ে প্ৰশিক্ষণৰ বাবে জি এন এম ৪ গৰাকী আৰু এ,এন,এম ৬ গৰাকী মুছলমান ছোৱালীয়ে ছিট পাইছে বুলি কৈছে । এই সংখ্যাটো একেবাৰে কম বুলি প্ৰমাণ হৈছে । মন্ত্ৰী মহোদয়ে এইটো বিসংগতি বুলি নাভাবেনে ?

শ্ৰীচুলাল চন্দ্ৰ বৰুৱা ( মন্ত্ৰী ) :— আমাৰ চৰকাৰৰ ঘোষিত নীতি অনুসৰি সকলো সম্প্ৰদায়ৰ মানুহৰ লৰা ছোৱালীয়ে সকলো অনুষ্ঠানতে সমানে প্ৰতিনিধিত্ব পাব লাগে । ইয়াৰ যিটো ইন্টাৰভিউ হৈছিল ছিলেক্চনৰ কাৰণে সেইটো আগৰ চৰকাৰৰ দিনতেই হৈছিল । এই কথা পুনৰ বিবেচনা কৰি যত যত ঘৰৰ অভাৱত কেন্দ্ৰ হোৱা নাই যেনে নগাঁৱত ঘৰৰ অভাৱত কেন্দ্ৰ খুলিব পৰা হোৱা নাই, সেই বিলাকক লৈ পাৰচেনটেজটো ঠিকে থাকে তাৰ ব্যৱস্থা কৰিম ।

Shri Altaf Hussain Majumdar : Mr. Speaker, Sir, with regret I would like to point out to the Hon'ble minister that it has been repeatedly revealed in this House that in this Department the minority

communities are not given justice and they are being kept out. Will the Minister be pleased to look into the matters of all other departments and see that the injustice that has been done is set right ?

Shri Dulal Chandra, Barua, ( Minister ). Sir, at the instance of the Hon'ble Member who raised the question a few days ago I have taken up the entire question and it is being examined now.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— এই ক্ষেত্ৰত অসমৰ চিডুল কাচ্‌ট, চিডুল ট্ৰাইবচ্‌ৰ লৰা ছোৱালীৰ কথা বিশেষ ভাৱে বিবেচনা কৰা হৈছেনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— সকলোৰেই কথা বিশেষ ভাবে বিবেচনা কৰা হৈছে।

ডাঃ তাৰিণী মোহন বৰুৱা :— ( মন্ত্ৰী ) মহোদয়ে কৈছে যে চাব্‌ চেণ্টাৰ বিলাকত কম্পাউণ্ডাৰ থাকে। কিন্তু আজি কালি কম্পাউণ্ডাৰৰ কথা নাই ; এইটো কেতিয়াবাই উঠি গৈছে। এই চাব্‌চেণ্টাৰ বিলাকত ফাৰমাচিষ্ট থকাৰ ব্যৱস্থা কৰিছেনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— (মন্ত্ৰী) চাব চেণ্টাৰ আগতেই যি বিলাক কৰা হৈছিল তাত উল্লেখ কৰা ফাৰমাচিষ্ট আছে। বাকী বিলাকৰ ষ্টাফিং পেটাৰ্ণ হল এগৰাকী এ, এন, এম আৰু ফাৰ্ষ্টগ্ৰেড কৰ্মচাৰী।

শ্ৰীনৰেন দত্ত :— যি সকলক জি এনএম আৰু এ এন এম প্ৰশিক্ষণ দিয়া হৈছিল সেই সকলক নিযুক্তি দিয়া হলনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— যি সকলে এই বছৰ পাচ কৰি আহিছে সেইসকলৰ সম্পূৰ্ণ নিযুক্তি হোৱা নাই কিন্তু যি সকলে যোৱা বছৰেই পাচ কৰি আহিল সেই সকলৰ নিযুক্তি হল। চাবচেণ্টাৰ বুত বিলাক হৈ আছে কিন্তু ঘৰ দুৱাৰ সম্পূৰ্ণ নোহোৱাৰ কাৰণে এই বিলাকত নিযুক্তি দিব পৰা নাই। যি বিলাক বাকী আছে সেই বিলাক কেইমাহ

মানৰ ভিত্তৰতে সম্পুৰ্ণ কৰিম ।

শ্ৰীকমল বসুমতাৰী :– চিডুল কাচ্ত, চিডুল ট্ৰাইবচ্ৰ কোটা দিয়া হৈছে । সেই মতে কিমানক দিয়া হৈছে জনাবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :- (মন্ত্ৰী) আমাৰ চাৰকুলাৰ মতে ষ্টেণ্ডাৰড শতকৰা ১২ ভাগ দিয়া হৈছে ।

মঃ চামচুল হুদা : এই কথাটো গম পায় নেকি যে যোৱা বছৰ মিড-ওৱাইফ, অকজিলেৰী নাৰ্চৰ পৰীক্ষা হওতে বিভাগীয় কিছুমান দুৰ্নীতি-পৰায়ণ বিষয়াই ইচ্ছা কৰি পৰিকল্পিত ভাবে ভিতৰুৱা গাওঁ অঞ্চলৰ দৰ্খাস্তকাৰী ছোৱালীক বাদ দিছিল । তাৰ কাৰণে কোনো কোনো ঠাইৰ পৰা অহ প্ৰাৰ্থীক দ্বিতীয় বাৰ পৰীক্ষা লব লগা হৈছিল ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :– (মন্ত্ৰী) তেনেকুৱা ধৰণৰ অভিযোগ পোৱা নাই

মঃ চামচুল হুদা : নগাৱত তেনেকুৱা হৈছে, তদন্ত কৰি চাবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : (মন্ত্ৰী) মাননীয় সদস্য গৰাকীয়ে লিখিত ভাবে দিলে নিশ্চয় তদন্ত কৰিম ।

শ্ৰীভুবনেশ্বৰ বৰ্মণ : অকজিলেৰী নাৰ্চৰ প্ৰশিক্ষণৰ বাবে সম্প্ৰদায়ৰ ভিত্তিত লৈছে বুলি জনাইছে । এই নাৰ্চ বিলাক নিয়োগৰ ক্ষেত্ৰত আমাৰ গৰীব সম্প্ৰদায়ৰ লোক সকলৰ প্ৰতি বেচি গুৰুত্ব দিবনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) : সকলো প্ৰকাৰৰ গুৰুত্ব দিয়া হৈছে । যি বিলাক নাৰ্চ প্ৰশিক্ষণ দি গাৱে-ভুঞে পঠোৱা হয় সেই সকলৰ অৱস্থা সম্পৰ্কে মাননীয় সদস্য সকলে চকু দিলে ভাল হয় । নাৰ্চৰ বৃত্তিটোক সন্মানৰ চকুৰে চাব লাগে, কিন্তু সেই ধৰণে নাচায় । কাৰণ বহু ক্ষেত্ৰত বহু ধৰণৰ জুলুম হৈছে । গতিকে অকল প্ৰশিক্ষণ-টোৱেই নহয়, নাৰ্চৰ বৃত্তি সম্পৰ্কত যাতে মানুহৰ আস্থা আহে, তেওঁলোকৰ নিৰাপত্তা, স্বীকৃতি আৰু সুবিধা দিয়াৰ ক্ষেত্ৰত চকু দিবলৈ আপোনাৰ যোগেদি মাননীয় সদস্য সকলক অনুৰোধ জনাও ।

Re : Super Market of Dispur

Shri Rabindra Nath Malakar asked :

* 314. Will the Chief Min ister be pleased to state -

(a) What was the amount spent in the construction of the Super Market in Dispur ?

(b) How many stalls are there ?

(c) To whom stalls are given ?

(d) Whether they are the sons of the soil ?

(e) Whether all stalls are given on rent/lease ?

(f) If so, what are the yearly earnings uptil now ?

(g) Whether there is any arrear of rent of Electric current charges ?

(h) If so, what is the amount ?

Shri Golap Borbora (Chief Minister) replied :

314. (a)—The total amount spent so far, is Rs. 4,82,677

(b)—60 ( Sixty )

(c)- A statement is placed in the Table of the house.

(d)—They are mostly residents of Assam and sons of the soil.

(e)—Thirty-seven stalls are given on rent and remaining stalls are lying vacant.

(f)—Rupees 27,900.

(g)—Yes, There is outstanding amount and account of electricity charges.

(h)—Rupees 11,426,52.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী: এই চুপাৰ মাৰ্কেটৰ কাষতে আই, এ, এচ অফিচাৰ সকলৰ কাৰণে টেনিচ কৰ্ট দিয়া হৈছে, এই কথাটো জানেনে ?

মাননীয় অধ্যক্ষ : এইটো বেলেগ প্ৰশ্ন। প্ৰশ্নটো হল বিজনেচ সম্পৰ্কত।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী : চুপাৰ মাৰ্কেটৰ মাটিত টেনিচ কৰ্ট কৰাৰ কাৰণে ৰেণ্ট পাম নেকি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) : এইটো বিষয়ত বেলেগ প্ৰশ্ন দিব লাগিব ।

শ্ৰীমুকুট শৰ্ম্মা : ইতিমধ্যে কিছুমান দোকানীয়ে ভাড়া নিদিয়াকৈ গুচি গৈছে, সেই বিলাক উলিওৱাৰ কি ব্যৱস্থা কৰা হব ? মুখ্যমন্ত্ৰী মহোদয়ে কলে ইলেকট্ৰিচিটি বিল্ প্ৰায় ১১ হাজাৰ টকা দিবলৈ বাকী আছে, এই টকা উলিয়াবৰ কাৰণে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) : বিভিন্ন দোকানৰ ভাড়া দিবলৈ বাকী আছে। ইলেকট্ৰিচিটিৰ যিবিলাক টকা দিবলৈ বাকী আছে, সেই বিলাক বহু দিন ধৰি চলি আছে। আদায় কৰাৰ চেষ্টা কৰা হব ।

শ্ৰীযোগেন গগৈ : দোকান বিলাক দিবলৈ যাওঁতে কি প্ৰিন্সিপুল এড-প্‌ট কৰা হৈছিল ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) : দোকানৰ কাৰণে মানুহে আবেদন কৰে তাক সেই আবেদন বিবেচনা কৰি দিয়া হয় ।

Shri Gaurisankar Roy . What are the terms and conditions of the lease ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী : মই আগতেই কৈছো যে বিভিন্ন মানুহে কৰা আবেদন পত্ৰ বিবেচনা কৰি ষ্টল বিলাক দিয়া হয় ।

শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত : অনুগ্ৰহ কৰি জনাবনে কি উদ্দেশ্য লৈ এই চুপাৰ মাৰ্কেট পতা হৈছিল ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) : উদ্দেশ্যৰ কথাটো কি আছিল কব নোৱাৰো। দিশপুৰ কমপ্লেক্সৰ ওচৰত মানুহে বয়-বস্তু কিনিবৰ কাৰণে বজাৰ এখন লাগে, সেই হিচাবে কৰা হৈছে ।

শ্ৰীগিয়াচুদ্দিন আহম্মদ : এই চুপাৰ মাৰ্কেট বস্তুটো কি ? আমি চুপাৰ বস্তুটো দেখা পোৱা নাই । চুপাৰ মাৰ্কেট বস্তুটো সচাকৈ দিশ-পুৰ অঞ্চলত আছে নেকি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) : মই ৰাস্তাৰ পৰা দেখি ছা তাৰৈ নিজে গৈ চোৱা নাই। চুপাৰ মাৰ্কেট বুলিলে যিটো বুজায় তাতোকৈ কম অৱস্থাত আছে। বিভিন্ন ঠাইৰ চুপাৰ মাৰ্কেট দেখিছো। একে ঠাইতে নানা ৰকমৰ দোকান থাকে যাতে প্ৰয়োজনীয় সামগ্ৰী সমূহ বিভিন্ন ঠাইত বিচাৰি ঘূৰি ফুৰি থাকিব নালাগে। সেই অসুবিধাৰ পৰা হাত সাৰিবৰ কাৰণে চুপাৰ মাৰ্কেট কৰা হয়। নামটো চুপাৰ মাৰ্কেট হৈ আছে, আচলতে চুপাৰ মাৰ্কেট হৈ উঠা নাই।

মঃ চামচুল হুদা : এই চুপাৰ মাৰ্কেট খন বহু লাখ টকা খৰচ কৰি কৰিছে, ইয়াক কৃতকাৰ্য্য কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা লবনে ? ইয়াৰ প্ৰথম পদক্ষেপ হিচাপে মন্ত্ৰী সকলে, বিধায়ক সকলে গঢ়ি তুলিবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) : এখন চুপাৰ মাৰ্কেট গাঢ় উঠিবৰ কাৰণে মোৰ বোধেৰে ওচৰত এটা ঘন বসতিপুৰ্ণ এলেকা লাগে। দিশপুৰত কিছু সংখ্যক মানুহ থাকে আৰু চুপাৰ মাৰ্কেটত বজাৰ-সমাৰ কৰে। তদুপৰি, বাহিৰত খুচুৰা দোকান বজাৰ বহুত আছে। তথাপিতো চুপাৰ মাৰ্কেট খন কেনেকৈ কৃতকাৰ্য্য কৰিব পৰা যায় চেষ্টা কৰা হব।

বিঃ জীয়াভৰলী নদীত বোমা দি মাছ মৰাৰ অভিযোগ

শ্ৰীগোলোক বা বংশীয়ে সুধিছে :

*৩১৫। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

ক) তেজপুৰ মহকুমাৰ জীয়াভৰলী নদীৰ বনাঞ্চল খণ্ডত বোমা দি মাছ মৰাৰ কথা চৰকাৰে জানেনে ?

খ) যদি জানে, এনেদৰে মাছ ম'ৰি অবৈধ ব্যৱসায় চলাই মাছ আৰু মাছৰ মহমৰ অনিষ্ট সাধনত বাধা দিয়াৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিলনে ?

শ্ৰীলীলাময় দাস ( মীন বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩১৫। ক) তেজপুৰ মহকুমাৰ জীয়াভৰলী নদীত চোৰাংকৈ বোমা দি মাছ মৰাৰ অভিযোগ পোৱা হৈছিল।

খ) এই অভিযোগ পোৱা মাত্ৰেই জামুগুৰি থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক এই কাৰ্য্য বন্ধ কৰাৰ ব্যৱস্থা লবলৈ জনোৱা হয়। সেইমতে লোৱা ব্যৱস্থা কাৰ্য্যকৰী কৰা হয় আৰু তাৰ পিচত তেনে কোনো অভিযোগ পোৱা নাই ।

বি, জীয়াভৰলী নদীৰ মীন মহল

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে :

৩১৬। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) দৰং জিলাৰ জীয়াভৰলী নদীত কেইখন মীন মহল আছে ?

খ) এই মীন মহল বিলাকত সাধাৰণতে কেনেকুৱা ধৰণৰ মাছ পোৱা যায় ?

গ) এই মীন মহল বিলাকত শিলঘৰীয়া মাছ পোৱা যায় নেকি ?

ঘ) শিলঘৰীয়া মাছ মাৰিবৰ কাৰণে সাধাৰণতে কোন পদ্ধতি লোৱা হয় ?

ঙ) সকলো মাছ মৰীয়া এই পদ্ধতিত অভ্যস্তনে ?

শ্ৰীলীলাময় দাস ( মীন বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩১৬। ক) দৰং জিলাৰ জীয়াভৰলী নদীত ১ ( এখন ) মীন মহল আছে ।

খ) এই মীন মহলত সাধাৰণতে শিলঘৰীয়া, পিঠিয়া, ভাঙোন, কুঢ়ি মাছ পোৱা যায়।

গ) হয় পোৱা যায়।

ঘ) শিলঘৰীয়া মাছ ধৰিবৰ কাৰণে সাধাৰণতে নদীত প্ৰায় ৪।৫ ফুট দূৰৈত খাগৰি পুটি মাছ ভেটি জালেৰে মাছ ধৰে।

ঙ) সকলো মাছ মৰীয়া এই পদ্ধতিত অভ্যস্ত নহয়।

শ্ৰীগোলোক ৰাজবংশী : কোন ধৰণৰ মানুহ মাছ মৰাত অভ্যস্ত ?

শ্ৰীলীলাময় দাস (মন্ত্ৰী) :- সাধাৰণতে বঙালী আৰু বিহাৰী লোক সকল মাছ মৰাত অভ্যস্ত।

শ্ৰীগোলোক ৰাজবংশী :- অধ্যক্ষ মহোদয়, মই ভাবো যে বঙালী আৰু বিহাৰী সকলক কৰি নদীৰ পাৰত থকা লোক সকলেই বেছি অভ্যস্ত।

শ্ৰীলীলাময় দাস (মন্ত্ৰী) :- মই তেনেকুৱা এক্সপাৰ্ট নহয়।

ডাঃ তাৰিণী মোহন বৰুৱা :- অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে বোমা দি মাছ মৰা কথা কৈছে। সেইবিলাক কেনে ধৰণৰ বোমা ? এটম-বমনে, হাইড্ৰোজেন বোমানে কেনে ধৰণৰ বোমা ?

শ্ৰীলীলাময় দাস (মন্ত্ৰী) ;- মই বোমাৰ নমুনাতো দেখা নাই।

শ্ৰীগোলোক ৰাজবংশী :- জীয়াভৰলীত যে দুটা মীন মহল আছে এইটো কথা মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰে নে ?

শ্ৰীলীলাময় দাস (মন্ত্ৰী) :- জীয়াভৰলীত ৰেজিষ্টাৰ কৰা মহল এটাহে আছে।

শ্ৰীৰনেন বসুমতাৰী :- অধ্যক্ষ মহোদয়, বোমা দি মন্ত্ৰী মহোদয়ে মাছ ধৰা কথা স্বীকাৰ কৰিছে। বোমা দি মাছ ৰাতি মাৰেনে সন্ধিয়া মাৰে ? যদি ৰাতি মাৰে তেনেহলে চাৰপ্ৰাইজ ভিজিট দিয়াৰ কাৰণে হুকুম জাৰি কৰিবনে ?

শ্ৰীলীলাময় দাস (মন্ত্ৰী) :- এই সম্পৰ্কে বিবেচনা কৰি আছো—

শ্ৰীজীৱন বৰা :- মন্ত্ৰী মহোদয়ে বোমা দি মাছ মৰা কথা কৈছে। কিন্তু এই মাছ মৰা কাম বন্ধ কৰিবৰ কাৰণে প্ৰতিৰক্ষা বিভাগক নিৰ্দেশ দিয়াৰ কথা চিন্তা কৰিছেনে ?

শ্ৰীলীলাময় দাস (মন্ত্ৰী) :- এইটো যোগাযোগ কৰা হব।

শ্ৰীযোগেন গগৈ :- বোমা দি মাছ মৰা বাবে ভাল পানীও দুখিত হয়। আৰু সেই ডুবি বিলাকত মাছে বাহ নলয় আৰু কণী নাপাৰে, মাছৰ বংশ বৃদ্ধি নহয় আৰু যি মাছ বোমা দি মৰা হয়, সেই মাছ ৰোগীৰ খাদ্য হয়। সৰু সৰু লৰা-ছোৱালীৰ বাবে এই আহাৰ বিষাক্ত হয়, এই ক্ষেত্ৰত দোষীসকলক গুৰুত্তৰ শাস্তি দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীলীলাময় দাস (মন্ত্ৰী) :- এইটো ব্যৱস্থা কৰা হব।

শ্ৰীনীশিথৰঞ্জন দাস :- অধ্যক্ষ মহোদয়, আমাদেৱ ৰাজ্যে কি কি পদ্ধতিতে মাছ ধৰা হয়, মত্স বিভাগেৰ মন্ত্ৰী মহোদয় জানাবেন কি ?

শ্ৰীলীলাময় দাস (মন্ত্ৰী, মীন) :- আলাগা ভাবে প্ৰশ্ন কৰলে বলা যাবে।

শ্ৰীগোলোক ৰাজবংশী :- জীয়াভৰলীৰ মাছৰ মহলটোৰ উত্তৰৰ সীমাটো কি ?

শ্ৰীলীলাময় দাস (মন্ত্ৰী) :- এইটো বেলেগ প্ৰশ্ন।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :- শিলঘৰীয়া মাছ বিলাক কোন শ্ৰেণীৰ মাছ ?

শ্ৰীলীলাময় দাস (মন্ত্ৰী) :- এইটো এটা বেলেগ প্ৰশ্ন।

Re ; Grants sanctioned and drawn during last financial Year;

Shri KHOGEN BARBARUAH asked :

*317. Will the Minister, Education be pleased to state :-

a) Whether it is a fact that due to some reasons the Department had to draw some grants sanetioned during the last financial year, for payment during the current year ?

b) If so, whether it is a fact that the amount has not yet been disbursed ?

c) If so. why ?

d) Will the Government fix a final date of payment at the earliest so that the Institutions do not suifer ?

Shri LAKHYADHAR CHOUDHURY (Minister, Education) replied :

317. a) Yes, A sum of Rs. 2,21,17,563 14 had been drawn.

b) No. A sum of Rs. 1,62,69,774·61 had already been disbuised. An amount of Rs 58,47,778.53 is yet to be disbursed.

c) List of undisbursed amount and reasons for non-disbursement may be seen in the statement Placed on the Table of the House

d) Instructions had already been issued for immediate disbursement of the un-disbursed amount within April, 1978. Further instructions for expenditious disbursement are being issued.

শ্ৰীখগেন বৰবৰুৱা : অধ্যক্ষ মহোদয়, এই টকাখিনি কেতিয় উইড্ৰ কৰি

আনিছিল ? আৰু শিক্ষা বিভাগৰ ৰুল আছেনেকি যে আগৰ পৰা টকা আনি খৰছ কৰি থাকিব পাৰে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :- এই টকাখিনি ৩১ মাৰ্চৰ দিনা উইদ্ৰ কৰি ৰুল মতে অনা হয়। আগতেও এই ধৰণে উইদ্ৰ কৰা হয়। আৰু টকাটো জমা কৰি ৰখা ৰখা হয়। এইবাৰো তেনেধৰণে কৰা হৈছে।

শ্ৰীপ্ৰমোদ গগৈ :- অধ্যক্ষ মহোদয়, এই ২ কোটি ২১ লাখ টকা ড্ৰ কৰা হল ৩১ মাৰ্চৰ দিনা। এই টকাটো ফাইনেন্স বিভাগে কেতিয়া চেংচন কৰিছিল ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) এইটো দেখা যায় যে, ৩/৪ দিনৰ ভিতৰতে এইটো কৰা হৈছে। আৰু ৩১ মাৰ্চৰ ভিতৰত টকা উইদ্ৰ কৰা হৈছে।

শ্ৰীপ্ৰমোদ গগৈ :- যদিও মন্ত্ৰী মহোদয়ে কৈছে যে আগৰ পৰা শিক্ষা বিভাগে প্ৰত্যেক বছৰে এনেকৈ টকা ৩১ মাৰ্চত ড্ৰ কৰে আৰু ৩/৪ মাহৰ ভিতৰত এই টকা দিচবাচ কৰে। আৰু এই টকা দি,পি, আইৰ তত্ত্বাৱধানত ৰখা হয়। আমি এই সংক্ৰান্তত এ, জিৰ পৰা আপত্তি আহিছে বুলি শুনি বলৈ পাইছো। এইটো কথা চৰকাৰে জানেনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :- মই মাননীয় গগৈ দেৱক ধন্যবাদ দিছো। কাৰণ এইটোৰ মোৰ দৃষ্টি গোচৰ হোৱা নাছিল। গতিকে এতিয়া এইবিলাক শিক্ষামন্ত্ৰীয়ে লবলৈ প্ৰয়াস কৰিব।

শ্ৰীবানেশ্বৰ শইকীয়া :- এই বছৰ টকা ড্ৰ কৰি, ইন্সপেক্টৰ আৰু দি, আইৰ তলত ৰখা হৈছে, আৰু এই টকা বিলাক জুন মাহতো বিভিন্ন শিক্ষানুষ্ঠান বিলাকে পোৱা নাই। এইবিলাক যে, দি, আই সকলৰ গাফলতিৰ বাবে হৈছে এইটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :- তেনে বাতৰি এতিয়াও পোৱা হোৱা নাই। এতিয়াও ৫৮ লাখ টকা আছে।

শ্ৰীবানেশ্বৰ শইকয়া :- এতিয়ালৈকে পইচা কিয় দিয়া হোৱা নাই।

শ্রীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :- টকা দিয়া হব বুলি কোৱা হৈছে যেতিয়া দিয়া হব।

Shri Ranendra Narayan Basumatari : Sir, may I know from the Minister against what items the sanctioned grants could not be distributed and had to be withdrawn by the Department ?

শ্রীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :- এই সকলো বিলাক ভালকৈ লিখি সদনৰ টেবুলত থোৱা হৈছে।

বি: ৰাজ্যিক পথ পৰিবহন বিভাগৰ কণ্ডাক্টৰ আৰু চালকক সাজ পোচাক যোগান

শ্রীঅতুল চন্দ্র গোস্বামীয়ে সুধিছে :

*৩১৮। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) অসম ৰাজ্যিক পথ পৰিবহন বিভাগৰ যাত্ৰীবাহী গাড়ীত কাম কৰা কণ্ডাক্টৰ আৰু চালক সকলক চৰকাৰী সাজ পোচাকৰ যোগান ধৰা হয় নেকি আৰু যদিহে হয় প্ৰতিবছৰত জনে প্ৰতি কেই সাজ পোচাক দিয়া হয় ?

খ) কণ্ডাক্টৰ আৰু চালক সকলৰ পোচাকৰ বাবে প্ৰতি বছৰে কিমান টকা ব্যয় কৰা হয় ?

গ) চৰকাৰী পৰিবহন বিভাগৰ চালক আৰু কণ্ডাক্টৰ সকলে চৰকাৰী পোচাক পিন্ধে নে নিপিন্ধে ?

ঘ) এই সাজ পোচাক বোৰ ধুবৰ কাৰণে মাহিলী কিমান পইছা দিয়া হয় ?

শ্ৰীজেহিৰুল ইছলাম ' পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩১৮। ক) নিগমৰ ফালৰ পৰা অসম ৰাজ্যিক পৰিবহন নিগমৰ যাত্ৰী বাহী গাড়ীত কাম কৰা কণ্ডক্টৰ আৰু চালক সকলক সাজ পোচাক যোগান ধৰা হয় আৰু প্ৰতি বছৰত জনে প্ৰতি দুজোৰকৈ কপাহী পোচাক দিয়াৰ উপৰিও প্ৰতি ৩ বছৰত এজোৰকৈ গৰম কোট পেণ্ট দিয়া হয়। তদুপৰি প্ৰতিজন চালক আৰু কণ্ডাক্টৰক প্ৰতি বছৰে একোজোৰকৈ চেন্দেল দিয়া হয়।

খ) —এই সাজ পোচাকৰ বাবে নিগমৰ প্ৰতি বছৰে পড়ে প্ৰায় ২,১৪,০০০ টকা ব্যয় হয়।

গ) —পিন্ধে।

ঘ) —প্ৰতি জনক মাহিলী ২,০০ ( দুই ) টকাকৈ দিয়া হয়।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :- মাননীয় অধ্যক্ষ মহোদয়, এই যে, ২,১৪,০০০ টকাৰ পোছাক পৰিচ্ছদ ড্ৰাইভাৰ আৰু কডাক্টৰ সকলে ব্যৱহাৰ কৰিবলৈ কিনা হৈছে বুলি কৈছে সেই বিলাক কোনে আৰু কৰ পৰা কিনা হৈছে সেটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীজেহিৰুল ইছলাম ( মন্ত্ৰী ) :-মাননীয় অধ্যক্ষ মহোদয়, টেণ্ডাৰ কল কৰি কিনে আমাৰ ট্ৰেন্সপৰ্ট কৰ্পৰেশনে আৰু দৰ্জীক চিলাই কৰিবলৈ দিয়া হয়।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :- মাননীয় অধ্যক্ষ মহোদয়, পাৰ্ছেজ বৰ্ড আছে নেকি ?

শ্ৰীজেহিৰুল ইছলাম ( মন্ত্ৰী ) :- হয় আছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :- যদি আছে তেন্তিয়াহলে, তাৰ সদস্য সকল কোন কোন ?

শ্ৰীজেহিৰুল ইছলাম ( মন্ত্ৰী ) :- বোধহয় মাননীয় সদস্য জনে নতুনকৈ যি বৰ্ড হৈছে সেই বৰ্ডৰ সদস্য সকলক বিছৰা নাই। যোৱা বছৰৰ বৰ্ডত সেই সময়ৰ বিধান সভাৰ সদস্য শ্ৰীঅতুল চন্দ্ৰ শইকীয়া,

জে'নৰেল মেনেজাৰ, জইণ্ট চেক্ৰেটেৰী, চিফ্ অটমবাইল ইঞ্জিনিয়াৰ, কণ্ট্ৰলাৰ অব্ ষ্টৰছ্।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ মাননীয় অধক্ষ্য মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে (গ)ৰ প্ৰশ্নোত্তৰত কৈছে যে, চৰকাৰী পৰিবহন বিভাগৰ চালক আৰু কণ্ডাক্টৰ সকলে চৰকাৰী পোচাক পিন্ধে। ই কিমান দূৰ সত্য সেইটো আমি কব নোৱাৰো কিন্তু মাননীয় মন্ত্ৰী মহোদয়ে যি কোনো এখন বাছত উঠি ড্ৰাইভাৰ আৰু কণ্ডাক্টৰ সকল এই পোচাক পিন্ধেনে নাই সেইটো নিজেই প্ৰমাণ কৰি চাবনে ?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) :- মাননীয় অধ্যক্ষ মহোদয়, হয়তো কেতিয়াবা অলপ ব্যতিক্ৰম হব পাৰে। এইটো পৰিষ্কাৰ কৰি থোৱা ভাল হব যে, আসাম মটৰ ট্ৰেন্সপৰ্ট ওৱাৰ্কাৰছ এক্ট, ১৯৬১ আৰু আসাম মটৰ ওৱাকাৰ্চ এক্ট, ১৯৬২ ৰ বিধিমতে চৰকাৰী বাছৰ ড্ৰাইভাৰ আৰু কণ্ডাক্টৰ সকলে চৰকাৰী পোছাক পিন্ধিবলগীয়া হয়। কিন্তু মাননীয় সদস্য সকলে এইটো জনা উচিত যে. ৰেগুলাৰ যি সকলে কাম কৰি আছে সেই সকলৰ ক্ষেত্ৰত হে এইটো নিয়ম আছে। কিন্তু আমাৰ কিছুমান 'কেজুৱেল' বেচিতো এনে কৰ্মচাৰী লবলগীয়া হয়। সেই সকলৰ কাৰণে পোছাক পিন্ধাৰ ধৰাবন্ধা নিয়ম নাই।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :- মাননীয় অধ্যক্ষ মহোদয়, যদি কেৱল স্থায়ী সকলকহে পোছাক পিন্ধিবলৈ দিয়া হয় তেতিয়াহলে, ইমান টকাৰ পোছাক কিয় কিনা হয় ?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) :- আইন মতহে দিয়া হৈছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :- মাননীয় অধ্যক্ষ মহোদয়, এই পোছাক পিন্ধ টো আইন সঙ্গত নহয়নেকি ?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) :- আইন মতেই পিন্ধিবলাগে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :- আইন সলনি কৰাৰ ব্যৱস্থা কৰিবনেকি ?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) :- ব্যৱস্থা লোৱা হব।

গিয়াচুদ্দিন আহমেদ : মাননীয় অধ্যক্ষ মহোদয়, ২,১৪,০০০ টকাৰ যে

পোছাক কিনা বুলি কৈছে প্ৰকৃতভেই এই পোছাক কিনা হৈছিলনে নাই কাগজে পত্ৰেহে দেখুউৱা হৈছে ?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) :- সেইটো 'হাইপথেটিক' প্ৰশ্ন।

শ্ৰীগিয়াচুদ্দি আহমেদ :- মই সুধিছো, প্ৰকৃততে ইমান টকাৰ পোছাক কিনা হয়নে নহয় ? নে কাগজেপত্ৰেহে এইটো কিনা হৈছে বুলি দেখুউৱা হয় ?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) :- কিনা হৈছে।

শ্ৰীমুকুত শৰ্ম্মা :- মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে, দ্ৰাইভাৰ আৰু কণ্ডাক্টৰ সকলক চেণ্ডেল দিয়া হৈছে। কিন্তু তেওঁলোকৰ 'কুইক মভমেন্টলৈ' লক্ষ্য কৰি জোতা আৰু মোজা দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) :- আইনৰ প্ৰভিজনমতেহে দিয়া হয়। আসাম ট্ৰেন্সপৰ্ট ওৱাৰ্কাৰ্ছ এক্টমতেহে দিয়া হয়। যদি আকৌ জোতা চেণ্ডেল দিবলগীয়া হয় তেতিয়াহলে, আইনৰ ধাৰা পৰিবৰ্ত্তন কৰাৰ প্ৰশ্ন আহিব।

শ্ৰীফণি মেধি :- মাননীয় অধ্যক্ষ মহোদয়, এই ২,১৪,০০০ টকাৰ যি পোছাক কিনা বুলি কৈছে যোৱা বছৰ গুৱাহাটীৰ কোন খন ফাৰ্ম্মৰ পাৰা এই কাপোৰ কিনা হৈছে সেই ফাৰ্ম্মৰ নামকৰনে ?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী) :- মাননীয় সদস্য জনে ইয়াৰ কাৰণে বেলেগে নটিশ দিলে ভাল হব। এইটো জানো যে গুৱাহাটীৰ জেইল কৰ্ত্তৃপক্ষক এই কাপোৰ চিলাবলৈ দিয়া হৈছিল।

বি. কেন্দ্ৰীয় সমাবায় বেঙ্ক আৰু অসম সমবায় এপেক্স বেঙ্কৰ চামিলকৰণ :

শ্ৰীমুকুট শৰ্ম্মাই সুধিছে :

*৩১৯। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে -

ক) কেন্দ্ৰীয় সমবায় বেঙ্ক আৰু অসম সমবায় এ'পেক্স বেঙ্কৰ লগত চামিল-কৰণৰ বিষয় চৰকাৰে বিবেচনা কৰিছে নেকি ?

খ) যদি বিবেচনা কৰিছে, তেন্তে কেতিয়াৰ পৰা চামিলকৰণ কাৰ্য্যকৰী কৰা হব ?

গ) কেন্দ্ৰীয় সমবায় বেঙ্কৰ সমুদায় কৰ্ম্মচাৰীক অসম সমবায় এপেক্স বেঙ্কে গ্ৰহণ কৰিবনে ?

শ্ৰীসোনেশ্বৰ বৰা (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩১৯। ক) —হয়। মুঠ ৭টা চেন্ট্ৰেল সমবায় বেঙ্কৰ ভিতৰত ৬টা বেঙ্কক (শিৱসাগৰ বেঙ্কটো বাদ দি) এপেক্স বেঙ্কৰ লগত চামিলকৰণৰ সিদ্ধান্ত লোৱা হৈছিল।

খ) —চামিলকৰণৰ সিদ্ধান্ত যোৱা ইং ১১। '৭৭ তাৰিখৰ পৰা কাৰ্য্যকৰী হোৱাৰ কথা আছিল যদিও সদৌ অসম কেন্দ্ৰীয় বেঙ্ক সমূহৰ কৰ্ম্ম-চাৰী সন্থাই এই চামিল্ কৰণৰ বিপক্ষে উচ্চ ন্যায়লয়ত আবেদন জনোৱা বাবে উচ্চ ন্যায়ালয়ে চামিলকৰণৰ স্থগিত ৰাখে আৰু বৰ্ত্ত-মান ই বিচাৰাধীন হৈ আছে।

গ) - কেন্দ্ৰীয় সমবায় বেঙ্কক সমুদায় কৰ্ম্মচাৰীক গ্ৰহণ কৰাৰ সামৰ্থ ও প্ৰয়োজনীয়তা এপেক্স বেঙ্কৰ নাই।

Re : Merger of Central Co-operative Banks with Co-operative Apex Bank

Shri KALIRAM DEKA RAJA asked :

*320. Will the Minister, Co-operation be pleased to state -

a) Whether it is a fact that the Central Co-operative Banks have been merged with the Co-operative Apex Bank ?

b) If so, whether all assests and liabilities have been born by the Co-operative Apex Bank ?

c) Whether all employees of the Central Co-operative Banks have been absorbed ?

d) If not, when it will be merged ?

Shri SONESWAR BORA (Minister of Co-operation) replied :

৩২০ ক) – নহয়। ইং ১।১১।৭৭ তাৰিখৰ পৰা ঋণ কোঅপাৰেটীভ এপেক্স বেঙ্কৰ বেঙ্কব সংগত ৰাজ্যৰ ছটা চেণ্ট্ৰল কোঅপাৰেটিভ বেঙ্ক চামিলকৰণ সিদ্ধান্ত সঃদৌ অ॰ম চেণ্ট্ৰল বেঙ্ক কৰ্ম্মী সন্থাৰ দৰখাস্তৰ ওপৰত মাননীয় গৌহা উচ্চ ন্যায়ালয়ে স্থ্গি ত ৰাখিবলৈ দিয়া আদেশ মৰ্ম্মে কাৰ্য্যকৰী কৰিব পৰা হোৱা নাই।

খ), গ) আৰু ঘ) ক) প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিত প্ৰশ্ন নুঠে।

শ্ৰীমুকুত শৰ্ম্মা : মাননীয় অধ্যক্ষ মঃহাদয় চেণ্ট্ৰলবেংক কেইটা 'ইণ্ডিপেণ্ডেণ্টলি' চঃলোৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, যি হেতু এইটো মহামান্য হাইকৰ্টৰ বিচাৰাধীন হৈ আছে গতিকে মহামান্য হাইকৰ্টৰ বিচাৰাধীন অৱস্থাত চৰকাৰে এই বিষয়ে একো কৰিব নোৱাৰে।

শ্ৰীনগেন দত্ত : মাননীয় অধ্যক্ষ মহোদয়, চেণ্ট্ৰল সমবায় বেংক আৰু এপেক্স বেংক চামিলকৰণৰ সিদ্ধান্ত লোৱাৰ পিছত কিমান চেণ্ট্ৰল বেংকৰ কৰ্ম্মচাৰী কৰ্ম্মচ্যুত হল আৰু কিমানক এপেক্সবেংকত

এৰচৰ্ব' কৰা হল সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীসোমেশ্বৰ ৰৰা (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয় কোনো কৰ্ম্মী কৰ্ম্ম-চ্যুত হোৱা নাই। ডেপুটেশ্বনত এপেক্স বেংকত কাম কৰি আছে ৫৬ জনে, জি,পি.এছ এছ—ত ৬৮ জনে আৰু চুপাৰভিশ্বনত ১২ জনে। মুঠ কৰ্ম্মচাৰী যি সকলে সাতটা কেন্দ্ৰীয় বেংকত কাম কৰি আছে, তেওঁলোকৰ সংখ্যা হৈছে ৫৩৯ জন শিৱসাগৰ বেংকৰ ৭৯ জন কৰ্ম্মচাৰী বাদ দিলে মুঠ কৰ্ম্মচাৰীৰ সংখ্যা হৈছে ৪৬০ জন।

## UNDISPOSEOL STARRED QUESTIONS DATED 23-6-78

Re : Construction of Tourist Lodge at Joysgar

Shri PROMODE GOGOI asked :

*321. Will the Minister, Tourism be pleased to state—

a) Whether it is a fact that the Government decided to construct a Tourist Lodge at Joysagar in the Sibsagar Sub-Division ?

b) If so, whether any plan and estimate has been prepared an submitted for sanction ?

Shri KESHAB CHANDRA GOGOI (Minister, Tourism) replied :

321. a) Yes, there was a proposal fot construction

of a Tourist Rest House at Joysagar.

b) - No. The proposal had to be abandoned as the allocation under the plan was reduced to Rs 20·00 lakhs from original estimate of Rs. 110·00 lakhs.

Re : Amendment of Court Fee Act

Shri KIRAN CHANDRA BEZBARUAH asked :

*322. Will the Minister, Finance be pleased to state—

a) Whether Goernment propose to amend the Court Fee Act in view of the decision of the Govern-ment to exempt certain land-owners from payment of revenue ?

b) Whether Government also propose to reduce the Court fee and rationalise the Court fee structure with regard to administration of Civil Justice by resorting to amendment of the Court fees Act to make the Civil remedy cheaper and easily accessible ?

c) The total amount of Court fee fee filed in the Civil Courts in Assam (except High Court at Gauhati) during the last financial year ?

Shri KESHAB CHANDRA GOGOI (Ministere, Finance) teplied :

322. a)—No.

b) At present there is no such proposal.

c) - Rs: 19,76,608·15 p.

Re : Constrction of Satyapur-Tulshibil Road and Bhaoraguri-Bhumka Bazar Road

Shri RANENDRA NARAYAN BASUMATARI asked :

*323. Will the Minister, Revenue be pleased to state —

a) Whether it is a fact that the construction of the two P. W. D. Roads (1) Styopur to Tulshibil and 2) Bhaoraguri to Bhumka Bazar under Dhubri P.W.D. Division was taken up during the early perod of the 4th Five year Plan and completed long back ?

b If so, whetherher it is a fact that it a fact that the compensation for acqustruction of land two the construction of tow roads mentioned above have not yet been paid to the land owners ?

c) If so, will the Government dispose those land copensation cases and expensation cases and expedite payment to the culivators concerned ?

Shri LAKSHESWAR GOHAIN (Minister, Revenue) replied :

323. (a)— Construction work of both the roads is repoited by P.W.D to have been started in 1969-70 but all the work as per eastimated provision has not yet been completed.

(ক)—গড়কাপ্তানীবিভাগে জনোৱামতে এই আলিবাট দুটা তৈয়াৰ কৰাৰ কাম ১৯৬৯-৭০ চনত আৰম্ভ কৰিছিল, কিন্তু আচনি মতে সম্পূৰ্ণ কাম এতিয়াও হৈ উঠা নাই ।

(b)—Yes.

(খ)—হয় আছে ।

(c)—Government have been taking necessary steps.

(গ) চৰকাৰে আৱশ্যকীয় ব্যৱস্থা লৈ আছে ।

বি : বিহদিয়া-চেপ্তী পথৰ পুঠিমাৰী নদীৰ ওপৰৰ দলং

শ্ৰীদৈৱশক্তি ডেকাই সুধিছে :

* ৩২৪ মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে-

(ক) বিহদিয়া চেপ্তী পথৰ পুঠিমাৰী নদীৰ ওপৰত থকা দলংখন কেতিয়া নিৰ্ম্মান হব ?

(খ) এই দলংখন কি কাৰণত এতিয়াও নিৰ্ম্মান কৰিব পৰা নাই ?

(গ) এই দলংখনত কিমান টকাৰ কাম হব আঁৰু এইখন কাঠৰ দলং হবনে পকীৰ হব ?

৩২৪ শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ( গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :-

(ক) বিত্তীয় পৰিস্থিতিৰ ওপৰতহে পুনৰনিৰ্ম্মানৰ আঁচনি

নিৰ্ভৰ কৰিছে।

(খ)—পুজিৰ অভাবত দলং পুনৰ নিৰ্ম্মান কৰিব পৰা হোৱা নাই।

(গ)—কাঠৰ দলং পুনৰ নিৰ্ম্মানৰ বিষয়টো চৰকাৰৰ বিবেচনাধীন, ও ইয়াৰ কাৰণে প্ৰায় ৫·২১ লাখ টকা লাগিব।

## Re- DEVELOPMENT OF ROAD COMMUNICATION

Shri Giasuddin Ahmed asked :

*325. Will the Minister P.W.D, be Pleased to state—

What steps the Government proposes to take for development of road communication in the backward regions in particular and in the State in general ?

Shri DULAL CHANDRA BARUA (Minister, P.W.D.) replied :

325. - All endeavours would be made for development of road communication in the State in general and backward regions of the State in particular within the limitation of available finance, organizational set up, maehineries and materials

## Re : Reservation of seats in Schools and Colleges

Shri KIRON CHANDRA BEZBARUA asked :

*326: Will the Minister, Education be Pleased to state -

Whether it is a fact that the Government is thinking of appointing a Committee for study as to whether it would be desirable to keep reservation of seats in Schools and Colleges as well as to offer other facilities to socially and economically weaker sections and women irrespective of castes and creed ?

Shri LAKHYADHAR CHOUDHURY ( Minister, Education ) replied :

326- There is no such decision.

বি : দৰং আৰু নগাঁও জিলাৰ সীমা

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে :

*৩২৭ माननीय ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে

(ক) দৰং আৰু নগাঁও জিলাৰ সীমালৈ স্থানীয় বিভাগীয় কৰ্তৃপক্ষৰ মাজত মতানৈক্য থকা কথাটো সচাঁনে ?

(খ) যদি সচাঁ হয়, তেন্তে সীমা বিবাদ নিস্পত্তি কৰিবৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে ?

শ্ৰীলক্ষেশ্বৰ গোহাঁই ( ৰাজহ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৩২৭ (ক) আৰু (খ) দৰং আৰু নগাঁও জিলাৰ স্থায়ী সীমা ১৯৬৫-৬৬ চনৰ সময়ত থকা ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে হয় বুলি চৰকাৰে অধিসূচনা দিয়া আছে। গতিকে স্থানীয় বিভাগীয় কৰ্তৃপক্ষৰ মাজত মতানৈক্য থকাৰ প্ৰশ্ন নুঠে। কিন্তু ব্ৰহ্মপুত্ৰৰ গতি সলনি হৈ থকাৰ বাবে মাজে মাজে কিছু —আসোঁৱাহৰ সৃষ্টি হয় আৰু এই আসোঁৱাহ সমূহ অহা শীতকালীন জৰীপৰ সময়ত দূৰ কৰিবলৈ ব্যৱস্থা লোৱা হব।

## UNSTARRED
## QUESTIONS AND ANSWERS
### Date : 23rd June, 1978
### ( To which answers were laid on the Table )

### বি : ৰাজ্যিক পৰিবহন নিগমৰ পৰিচালক

শ্ৰীখগেন বৰবৰুৱাই সুধিছে :

৩৩। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰাজ্যিক পৰিবহন পৰিচালকৰ পদৰ বাবে ১৯৭৫ চনৰ পৰা অদ্য পৰিমিত কিমান প্ৰাৰ্থীৰ অসমত লিখিত পৰীক্ষা, লোৱা হৈছে ?

(খ) কোন কোন জিলাত কেতিয়া লোৱা হৈছে ?

(গ) ১০।৮।৭৫ তাং যোৰহাটত উক্ত পদৰ বাবে পৰীক্ষা লোৱা হয়নে ?

(ঘ) যদি হয়, তেন্তে পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ তালিকা বেৰত অৰা হৈছিলনে ?

(ঙ) যদি নাই হোৱা, কিয় হোৱা নাই ?

(চ) ১৯৭৫ চনৰ পৰা কিমান পৰিচালক নিযুক্তি কৰা হ'ল আৰু এই সকল পৰীক্ষাত উত্তীৰ্ণ হোৱানে নোহোৱা ?

(ছ) উত্তীৰ্ণ হোৱা প্ৰাৰ্থীক নিযুক্তি দিবলৈ কিমান বাকী আছে ?

শ্ৰীজহিৰুল ইছলাম (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩৩। (ক) —ৰাজ্যিক পৰিবহন নিগমে পৰিচালক পদৰ বাবে ১৯৭৫ চনৰ পৰা অদ্য পৰিমিত ৮৪৩ জন প্ৰাৰ্থীৰ অসমত লিখিত পৰীক্ষা লৈছে।

(খ)– ১০।৮।৭৫ ইং তাৰিখে শিৱসাগৰ, কামৰূপ আৰু দৰং জিলাত এই লিখিত পৰীক্ষা লোৱা হয়।

(গ) – হয়।

(ঘ)—উত্তীৰ্ণ হোৱা প্ৰাৰ্থীৰ তালিকা বেৰত অৰা হোৱা নাছিল।

(ঙ)—সাধাৰণতে এনে পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰাৰ্থীৰ তালিকা বেৰত অৰা নহয়।

(চ) – ১৯৭৫ চনৰ জানুৱাৰীৰ পৰা উক্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰাৰ্থীৰ তালিকা প্ৰস্তুত হোৱাৰ আগলৈকে ৮৭ জনক বাছ পৰিচালকৰ পদত নিযুক্তি দিয়া হৈছিল। গুৱাহাটীত ১।১।৭৫ তাৰিখৰ পৰা নিগমৰ চিটিবাছ চলোৱা হয় আৰু এইখিনি নিযুক্তি বিশেষকৈ সেই পৰিপ্ৰেক্ষিতত কৰা হয়। পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰাৰ্থীৰ তালিকা প্ৰস্তুত হোৱাৰ পিছত শিৱসাগৰ জিলাৰ তালিকাৰ পৰা ২৬ জন, ডিব্ৰুগড় জিলাৰ ২ জন, দৰং জিলাৰ ১০ জন, লক্ষীমপুৰ জিলাৰ ৭ জন, গোৱালপাৰা জিলাৰ ১ জন, কাছাৰ জিলাৰ ৬ জন, নগাওঁ জিলাৰ ৫ জন আৰু কামৰূপ জিলাৰ ৬ জন—মুঠ ৬৩ জন প্ৰাৰ্থীক নিযুক্তি দিয়া হৈছে। উক্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা তালিকা বাহিৰত মুঠে ২৩ জন পৰিচালক নিযুক্তি দিয়া হৈছে। তেনে নিয়ুক্তি কেৱল ছুটী বা সাময়িক ভাৱে বৰ্খাস্ত হোৱা

কৰ্ম্মচাৰীৰ ঠাইত বদলি ভিত্তিত হৈছে। এই ২৩ জনৰ ভিতৰত ৮ জন নিগমত আগতে বদলি ভিত্তিত কাম কৰা লোক, ৩ জন ভৈয়ামৰ জন-জাতীয় লোক আৰু ৩ জন অনুসুচীত জাতিৰ লোক।

(ছ)—উক্ত তালিকাৰ পৰা এতিয়াও ২২৪ জনক নিযুক্তি দিব পৰা হোৱা নাই।

বি ঃ যোৰহাটৰ হোমিওপ্যাথিক চিকিৎসা মহাবিদ্যালয়

শ্ৰীৰমেশ দাসে সুধিছে ঃ

৩৪। মাননীয় সংসদী পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৰহাটত আজি প্ৰায় তিনি বছৰ ধৰি এখন হোমিওপেথিক চিকিৎসা মহাবিদ্যালয় চলি থকাৰ কথা চৰকাৰে জানেনে ?

(খ) যদি জানে, এই মহাবিদ্যালয়খনলৈ চৰকাৰে কোনো প্ৰকাৰৰ সাহায্য এতিয়ালৈকে দিছেনে ?

(গ) যদি নাই দিয়া, ভাৰত চৰকাৰে হোমিওপেথিক চিকিৎসা বিষয়ত বিশেষ গুৰুত্ব দিয়াৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰে এই মহাবিদ্যালয়খনৰ প্ৰতি বিশেষ নজৰ দিয়াৰ কথা চিন্তা কৰিছেনে ?

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (সংসদী পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে

৩৪। (ক)—হয়, জানে।

(খ)—সাহায্য এতিয়ালৈ দিয়া হোৱা নাই।

(গ)—আন আন হোমিওপেথিক মহাবিদ্যালয়ৰ লগত এই মহাবিদ্যালয়ৰ কথাও চিন্তা কৰা হব।

Mr. Speaker :— The question Hour is over now short notice question by Shri Ranendra Narayan Basumatari.

SHORT NOTICE
QUESTIONS AND ANSWERS
Date : 23rd June 1978

———

Re : Subivisional Tribal Development Boards

Shri RANENDRA NARAYAN BASUMATARA asked

8. Will the Minister P.T. & W B.C be pleased to state –

(a) Whether it is a fact that by Notification No. TAD/STP/80/78/77, dated 16th May, 1978 the Government constituted the sub-Divisional Tribal Development Boards in Assam including the one for the Kokrajhar Subdivision ?

(b) Whether it is a fact that Shri Prasenjit Brahma, resident of Village & P. O. Kokrajhar and Shri Kanakeswar Narzary resident of Village Tengaigaon and P. O Gossinichina have also been included as members of the Kokrajhar Subdivisional Tribal Development Board as per above notification ?

(c) Whether it is also a fact that by another Notification No. TAD/STP/80/78/104, dated

31st May, 1978 the Government excluded them as member of the Kokrajhar Subdivisional Tribal Development Board ?

(d) If so, the reasons thereof ?

Shri RAMESH MOHAN KOULI (Minister, Welfare of Plains Tribes & B.C.) replied

8. (a)—Yes.

(b) Yes.

(c) Yes.

(d) This was considered necessary for smooth functioning of the Board.

Shri Ranendra Narayan Basumatary- Mr: Speaker Sir, by excluding these 2 members from the Board how the honourable Minister could think that the Board can run smoothly ?

Shri Ramesh Mohan Kouli. (Minister)- Sir, there were representation from the public for smooth functioning of the Board and for that not only these two members but also one Shri Thaneswar Narzari also been excluded.

Shri Ranenbra Narayan Basumatary- Sir, the first meeting of the Kokrajhar Tribal Development Board was held on 8th June. These two members have also attended the meeting. They

were served with a notification that they should go out from the discussion. It is very disgracefull Does not the honourable Minister feel that by this kind of action of Government which is unwarented caused great harm both physically and mentally to these two members ?

Shri Ramesh Mohan Kouli (Minister)- Sir, I have already told that not only these two persons one Shri Thaneswar Narzari was also excluded for the public interest and I do not consider it disgracefull.

শ্ৰীপ্ৰেমধৰ বৰা : এই বিষয়ে ১৬ মে তাৰিখে গেজেট নোটিফিকেচন হৈছে। আকৌ একত্ৰিশ মে তাৰিখে গেজেট নোটিফিকেচন কৰা হব। পোন্ধৰ দিনৰ মুৰে মুৰে চৰকাৰে সিদ্ধান্ত সলনি কৰিলে ৰাইজৰ আগত হেয় প্ৰতিপন্ন অনুভৱ নকৰেনে ?

শ্ৰীৰমেশ মোহন কুলি (বাননিয়ন্ত্ৰণ মন্ত্ৰী):-এইটো বিশেষ কাৰণত কৰা হৈছে।

Shri Altaf Hussain Majumdar:- Was the public interest taken into consideration in doing it ?

Shri Ramesh Mohan Kouli (Minister)- I have told that it was done in the interest of public.

Shri Altaf Hussain Mazumdar- Whether it helped in better functioning of the Board smoothly ?

Shri Ramesh Mohan Kouli (Minister)- Yes. I have

already told my reply.

শ্ৰীলক্ষ্যনাথ দলে :- প্ৰসেনজিত ব্ৰহ্ম নামৰ মানুহজন বৰ্ত্তমান মন্ত্ৰী সমৰ ব্ৰহ্মৰ নিৰ্বাচনৰ প্ৰতিদণ্ডী আছিল নেকি ?

শ্ৰীৰমেশ মোহন কুলি (বাননিয়ন্ত্ৰন মন্ত্ৰী) :-সেইটো এটা নতুন প্ৰশ্ন ।

শ্ৰীবীরেশ মিশ্র :- অধ্যক্ষ মহোদয়, আমাদের প্লেইনস এরিয়াতে যে সমস্ত মিকির আদিবাসী বাস করেন তাদের জন জাতির সংজ্ঞা থেকে বাদ দেওয়া হয়েছে এবং ট্রাইবেল ডেভেলপমেন্ট বোর্ড এ এই অজুহাতে তাদেরে মেম্বার হিসাবে গ্রহণ করা হয় না, এ কথা কি ঠিক ?

শ্ৰীৰমেশ মোহন কোলি (বাননিয়ন্ত্ৰন মন্ত্ৰী):- সেইটো কথা ঠিক যে তেওঁলোকক আমাৰ ইয়াত ভৈয়ামৰ জনজাতি হিচাবে পৰিগণিত হোৱা নাই ।

Shri Ranendra Narayan Basumatary- Sir, may I submit to the honourable Minister that in view of the facts that I have already stated that they would be put to a very awkward position will the honourable Minister reconsider for inclusion of these members ?

শ্ৰীৰমেশ মোহন কুলি (বাননিয়ন্ত্ৰন মন্ত্ৰী) :- সেইটো ভবিষ্যতে বিবেচনা কৰি চাম ।

শ্ৰীমুকুট শৰ্ম্মা :- বিশেষ কাৰণ কি মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীৰমেশ মোহন কুলি (বাননিয়ন্ত্ৰন মন্ত্ৰী)— মই ইতিমধ্যে প্ৰশ্নৰ উত্তৰত

কৈছে যে, এৰিয়াৰ ৰিপ্ৰেজেনটেচনেই প্ৰধান কাৰণ। সেইটো কাৰণতেই কৰা হৈছে। যি সময়ত দিয়া হৈছে সেই সময়ত কোনো আপত্তি ৰাইজৰ ফালৰ পৰা দিয়া হোৱা নাছিল।

## MISCELLANEOUS

Mr. Speaker - Next item. Shri Keshab Chandra Gogoi.

Shri Keshab Chandra Gogoi ( Minister Finance ) Mr. Speaker, sir, with your permission, I would like to clarfy one point which was specifically asked by some honourable members that Shri D. Bora, Advocate was not examined. I said the other day the police diary was not with me and assured the members to apprise the position on a later date. Now I have gone through tho police diary and other records and I found that he was examined twice. once on 25-3-78 and once on 30 3-78 by the inves-tigating officer.

শ্ৰীপ্ৰেম বৰা :— যোৱা কালি আমাৰ পবিত্ৰ সদনত সকলো সদস্যৰ আগত শিক্ষা মন্ত্ৰী ডাঙৰীয়াই গোটেই অসম ৰাজ্যৰ মাধ্যমিক ইংৰাজী স্কুলৰ শিক্ষক সকলৰ অনসন কৰি বিক্ষোভ প্ৰদৰ্শন কৰা লোক লকলক দেখা কৰিবলৈ অনুৰোধ কৰাত গধুলী ৭ বজাত লগ কৰাৰ প্ৰতিশ্ৰুতি দিছিল। তেখেতে সেই বিষয়ে কি ব্যৱস্থা কৰিলে আপোনাৰ জৰিয়তে জানিব বিছাৰিছো।

শ্ৰীলক্ষ্যধৰ চৌধুৰী :— ( মন্ত্ৰী ) অধ্যক্ষ মহোদয়, যোৱা কালি ৭ বজাত সদনত দিয়া প্ৰতিশ্ৰুতি মতে আমি কেইজনমান সদস্যৰ

লগত মই সেই ঠাইলৈ গৈছিলো। কিন্তু তেওঁলোকৰ অনসন শেষ হোৱাৰ পাচত লোক সকল দিহা দিহি যোৱা কাৰণে তেনেভাৱে লগ কৰিব নোৱাৰিলো। তাৰ পিচত কথা হবলৈ মাননীয় সদস্য এগৰাকীয়ে তেওঁলোকৰ সভাপতিক লগ কৰিলে কিন্তু লাইট বা তেনে কোনো পোহৰৰ ব্যৱস্থা নথকাৰ কাৰনে সেই সময়ত গুছি অহা হ'ল।

## CALLING ATTENTION

Mr. Speeker :- Now Item No. 2. Shri Noorul Huda.

Shri Noorul Huda :- Mr. Speaker, Sir, I beg to call the attention of the Minister Labour under Rule 54 of the Rules of procedure and Conduct of business in Assam Legislative Assembly relating to "dismissal of eight workmen by the management of Dewan Tea Estate and dismissal of six workmen by the management of Derby Tea Estate.

Sri Golap Borbara ( Chief Minister ) –

Sir, the attention of the Govt. have been drawn to the following matter raised by the Hon'ble member Shri ,Nurul Huda, M.L.A " That the management of Dewan Tea Eastate (Cachar) have recently dismissed eight workmen and the management of Derby T,E. Cachar have dismissed Six (6) workmen without going

through Normal processes of trade Union laws thus creating a situation whereby the workmen of these gardens have been forced to conduct peaceful agitation for reinstatement of the dismissed workmen and for redress of other grievances; The intervention of the State Government has become urgently necessary.

The above matter was enquired into. It appears from the enquiry report that the matter stands as follows:—

DEWAN T.E.

On 31-12-77 the workers of Dewan T.E. affiliated with the Cachar Cha Mazdoor Parishad suddenly went on strike protesting against the management's handing over to the police a worker caught in stealing tea from the factory. The striking workers contended that the management should have consulted them before doing so: The management denied that they were under any obligation to consult anybody in such matters and refused to negotiate with the Union members on this issue. It may be said here by that the workers became violent at one stage and pelted stones on the office building and broke same window panes. They, however, dispersed later on. The management charge sheeted seven workers who took very active part in the demonstration and pelting of stones for their unrully and violent behaviour and after giving the charges sheeted workers opportunity to explain conduct as provided for in the standing orders of the garden provisionally dismissed

them and offered them wages for one month as prescribed in the provise to clause (b) of Sub-Section (2) of Sectiou 33 of the Act. As a dispute regarding variably Dearness Allowance is pending before the Industrial Tribunal at Dibrugarh with which the workers proposed to be dismissed are concerned, the management has also submitted applications to the said Tribunal for approval of their action. The application have not yet been disposed of by the said Tribunal.

The Cachar Cha Mazdoor parishad tried in vain to come to a settlement over this issue billaterally with the managnment ( the recognised Union in the garden is the Cachar Cha Sramik Union ) and having faild to do so, refered dispute to the Asstt. Labour commissioner. Silchar in the first week of May, 1978. Accordingly a notice was given for holding conciliation proceedins over the dispute on 19-5-78. The management, however, didnot turn up and sent words to the conciliation officer concerned saying that no conciliation could be held on a matter which was not final and which was pending for approval before the Industrial Tribunal. They, further submitted that any concialiation could be held over these dismissal only if the Tribunal approved of the management's action and the dismissal become finally operative.

20 workmen affiliated with Cachar Cha Mazdoor Parishad started staging Dharna before the Superintendent's office at Dewan since 19-5-78. This Dharna has been withdrawn on 8-6-78. At the instance of the officers of the Labour Deptt. at Silchar the management started bilateral negotiation with the dismissed worken on 8-6-78. They again met on 15-6-78 as it is reported. But as the mauagement is not willing to negotiate with the Union (which they do not recognise) it has not been possible to achieve anything in these Pareleys so far it is gathered.

DERBY. T. E.

On 4.1.78, the workers affiliated with the Cachar Cha Mazdoor Parishad went on strike protesting against alleged increase in prunnig task. They assembled near the office and at one stage become violent and pelted stones on the office building making some damage to it. The strike continued for three days and was ultimately called off unilaterally. The management charge sheeted six workers who took active part in the demonstration and pelting of stones for their unrully and violent behaviour and after giving them chance to explain their conduct as provided for in the standing orders of the garden provisionally dismissed them and offered them one months pay as prescribed in the proviso to clause (b) of sub-section (2) of the section 33 of the Industrial Dispute Act. 1947. As a dispute

regarding variable Dearness Allowance with which the dismissed workers are concerned is pending before the Industrial Tribunal at Dibrugarh, the management simulianeously also made applications for approval of their action to the said Tribunal. Their applications are yet to be disposed of by the Tribunal.

As in the case of Dewan. T. E. the Cachar Cha Mazdoor Prrishad tried to come to a bilateral settlement with the management over these dismissals and as the management refused to negotiate with them the parishad refered the dispute to Asstt- Labour Commissioner office at Silchar for conciliation on 9-5-78 Conciliation proceedings were notified to be held on 25-5-78 accordingly,. But the management did not turn up on that day and sent in the same reply as they did in case of Dewan Tea Estate. The Parishab has served a notice on ail conoernhd saying that they may go on strike at any time now unless the management agress to come to a te a settlement with them over these dismissals.

As regards over grievances the management has been alrdady negotiating with the recognised Union, namely. the Cachar Cha Sramik Unton for a setttament as their members are also involved in these issues.

Shri Noorul Huda : - Sir, I would like to have some clarifications.

Mr. Speaker-- You can seek only one clearicfication as the Hon'ble Chief Minister has already given a very exhaustive statement.

Shri Noorul Huda-- Yes, sir, I will seek only one clarification from the Honb'le Chief Minister as he is now in-charge of the Labaur Deptt. in the absence of the Hon'ble Labour Minister just to find out which one of these two Unions Cachar Cha Shramik Union and Cachar Shramik Mazdoor Union is having the representative character in these two gardens -Dewan Tea Eastate and Derby Tea Eastate ? Then, sir the other day while replying to the police budget the Hon'ble Chief Minister had stated that the police would not take side infavour of the management. But we have just learnt that the police are taking the side of the management and harassing the workmen. Now, sir I would like to have the assurance from the Hon'ble chief Minister that this thing would be stopped and the police would remain neutral in this matter of dispute between the workmen and the management ?

শ্রীগোলাপ বৰবৰা ( মুখ্যমন্ত্রী ) ঃ—অধ্যক্ষ মহোদয়, মাননীয় সদস্যৰ লগত এই সম্বন্ধে আলোচনা কৰিছিলো আৰু শ্রম বিভাগৰ ওপৰত পুলিচে অযথা যাতে জুলুম নকৰে সেইটোৱেই আমাৰ নীতি আৰু এই বিষয়ে যদি কিবা হৈছে আমি নিশ্চয় তদন্ত কৰি ব্যৱস্থা লম। ৰিপ্রেজেনটেটিভ কেৰেক্টাৰৰ সম্বন্ধে যিবিলাক ব্যৱস্থা আছে যেনে ষ্টেট ইমপ্লিমেনটেচন বডিলৈ দৰখাস্ত কৰিব লাগে আৰু ভোটা-ভোটৰ ব্যৱস্থাও কৰিব লগা হয়। গতিকে এই বিষয়ে নতুনকৈ ইউনিয়নবপৰা আহিলে নিশ্চয় ব্যৱস্থা লোৱা হব।

শ্ৰীবুদ্ধ বৰুৱা :—অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি ১৯৭৮ চনৰ ১ জুন তাৰিখৰ 'নাগৰিক কাকতত প্ৰকাশিত "শিক্ষা বিভাগৰ ১৪ লাখ টকাৰ অপচয়" শীৰ্ষক বাতৰিটোৰ সম্পৰ্কত বিষয় এটি উত্থাপণ কৰিছো। বাতৰিটো এনে ধৰণে প্ৰকাশ পাইছে যে "এসময়ত ৰাজা গোপালাচাৰিয়েই গড়কাপ্তানী বিভাগক এক নম্বৰ ৰাজহুৱা শত্ৰু বুলি বৰ্ণনা কৰিছিল ; কাৰণ তেওঁৰ মতে এই বিভাগটো আছিল দুৰ্নীতিৰ প্ৰতীক। সম্প্ৰতি দুৰ্নীতিৰ প্ৰতিযোগিতাত শিক্ষা-বিভাগে গড়কাপ্তানী বিভাগক চেৰ পেলাই গৈছে বুলি শুনা গৈছে—অন্ততঃ অসমত।

অসমৰ শিক্ষা বিভাগত ১৪ লাখ টকা ৰহস্যজনকভাবে অন্তৰ্দ্ধান হৈছে, অৰ্থাত টকাখিনি ক'ত কেনেকৈ খৰচ হ'ল তাৰ কোনো হিচাপ নাই।" গতিকে এই কথাটো কিমান দূৰ সত্য মন্ত্ৰী মহোদয়ে ইয়াৰ সম্পূৰ্ণ বিৱৰণ সদনক জনাব লাগে।

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) :—অধ্যক্ষ মহোদয়, পহিলা জুন তাৰিখৰ নাগৰিক কাগজত প্ৰকাশ হোৱা 'শিক্ষা বিভাগৰ ১৪ লাখ টকাৰ অপচয়' শীৰ্ষক বাতৰিটো আমাৰ চকুত পৰিছে। মই সদনক জনাব খোজো যে শিক্ষা বিভাগত এনে অপচয়ৰ কথা চৰকাৰে পোৱা নাই।

শ্ৰীবুদ্ধ বৰুৱা :—এইটো কথা অসত্য আৰু এই বিষয়ে অনুসন্ধান কৰি একো পোৱা নাই বুলি মাননীয় মন্ত্ৰী মহোদয়ে কৈছে, যদি সেইটোৱেই হয় তেতিয়াহলে চৰকাৰৰ ফালৰ পৰা কাগজত ওলোৱা বাতৰীটোৰ প্ৰতিবাদ কৰা নহল কিয় ? নহলে জনসাধাৰণে যি সকলে এই খবৰটো কাগজত পাইছে বা পঢ়িছে তেওঁলোকৰ মনত হতাশাৰ ভাবে দেখা দিছে।

শ্ৰীলক্ষ্যধৰী (মন্ত্ৰী) :—বাতৰি কাকতৰ খবৰটো সিমান স্পষ্ট নহয়।

কিয়নো কিমান লাখ টকা কোন চনৰ টকা, কৰ টকা ইত্যাদি বিষয়ে তাত উল্লেখ নাই। তথাপিতো সেই বিষয়টো পুংখানুপুংখৰূপে চাই সম্যক অনুসন্ধান চলাই দেখা গ'ল কিন্তু তাত কোনো ধৰণৰ অপচয় দেখা নগ'ল। যদি আগৰ কিবা ইঙ্গিত কাগজত দিছে সেইটো কব নোৱাৰো। মাননীয় সদস্য জনৰ পৰা জানিলে আমি চাব পাৰিম।

শ্ৰীবুদ্ধ বৰুৱা :—এই বিষয়ে যদি মিছা বাতৰিয়েই প্ৰকাশ কৰিছে তেনে ক্ষেত্ৰত এই বাতৰিটোৱে শিক্ষা বিভাগককেই অপমান কৰা নাই চৰকাৰক কৰাব লগতে আমাৰ এই পবিত্ৰ সদনকো অপমান কৰা হৈছে, কিয়নো এই বাতৰিটো অশুদ্ধ বুলি যদি তাৰ প্ৰতিবাদ কৰা নহয় তেতিয়াহলে কাগজৰ পাঠক সকলে বাতৰিটো সত্য বুলিয়েই ধৰি লব।

শ্ৰীলক্ষ্যধৰ চৌধুৰী :—মাননীয় সদস্য জনৰ চেন্টিমেন্টত মই আনন্দ পাইছো কিন্তু বাতৰি কাকতত কোনো প্ৰতিবাদ দিয়া নাই কিন্তু বাতৰি কাকতত ওলোৱাৰ আগতেই আমাৰ এটা অনুসন্ধান হৈছিল আৰু তাৰ পাচত মাননীয় সদস্য জনাই প্ৰশ্নটো সদনত অনাৰ পাচত এই বিষয়ত আৰু তথ্য পাম বুলি কাগজত দিয়া হোৱা নাছিল এতিয়া দেখিছো আমাৰ যিখিনি অনুসন্ধান চলোৱা হৈছে সম্ভৱ এতিয়ালৈকে সেই বিষয়ত কোনো সন্তেদ পোৱা নাই আৰু কিমান দিনৰ আগৰ কথা সেইটো স্পষ্ট হৈ উঠা নাই, সেই কাৰণে এতিয়ালৈকে যোৱা ৩ বছৰৰ এনেধৰণৰ কোনো ৰিপোৰ্ট পোৱা নাই।

শ্ৰীযোগেন গগৈ :—মন্ত্ৰী মহোদয়ে কৈছে যে তদন্ত কৰা হৈছে কিন্তু কি ধৰণে তদন্ত কৰা হৈছে সেই বিষয়ে সন্দেহ আছে কিয়নো

কাগজত ডাঙৰ আখৰেৰে ওলাইছে, ফলত জন মানসত এই বিষয়ে হতাশাৰ সৃষ্টি হৈছে যে শিক্ষা বিভাগত দুৰ্নীতি হৈছে। গতিকে কেনে ধৰণে তদন্ত কৰা হৈছে সেই বিষয়ে আমাক জনাব লাগে ।

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী):— চেক্ৰেটাৰী আৰু দেপুটি চেক্ৰেটাৰীৰ জৰীয়তে তদন্ত কৰা হৈছে কিন্তু আজিলৈকে সেই তদন্ত মতে কোনো অপচয় দেখা নাই বৰঞ্চ য'ত যেনে ভাবে টকা ধৰা হৈছে, তেনেকৈয়ে খৰচ কৰা হৈছে। গতিকে এনে অস্পষ্ট বাতৰি অনুসন্ধান কৰাতো অসুবিধাজনক।

শ্ৰীবানেশ্বৰ শইকীয়া:—নাগৰিকৰ নিচিনা এখন বাতৰি কাকতে আজিৰ পৰা ২২ দিন আগতে যিটো খবৰ উলিয়াইছে তাত ১৪ লাখ টকাৰ অপচয়ৰ কথা উল্লেখ কৰিছে তেনেক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা তদন্ত কৰি প্ৰতিবাদ কৰাৰ প্ৰয়োজন নাছিল নেকি আৰু কিয় কৰা নাই ? আনহাতেদি মন্ত্ৰী মহোদয়ৰ উত্তৰৰ পৰা জানিব পাৰিছো যে এই বিষয়ত একো খবৰ পোৱা নাই। তেতিয়াহলে এই খবৰ কাগজৰ ওপৰত কিয় একশ্যন লোৱা হোৱা নাই ? গতিকে শিক্ষা মন্ত্ৰী মহোদয়ে এই সম্পৰ্কে সম্যক তদন্ত কৰি সংশ্লিষ্ট কাগজ সহ এটা প্ৰতিবেদন সদনত দাখিল কৰিব লাগে।

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী):—১ জুনৰ বাতৰী মতে আমাৰ সংশ্লিষ্ট কৰ্ম্মচাৰীয়ে তেনে ধৰণৰ বিশেষ তথ্য পোৱা নাই কিন্তু ইতি-মধ্যে এই বিষয়ত যেতিয়া প্ৰশ্ন আহি পৰিলত আমি বহু কথা জানিব পাৰিম বুলিয়েই প্ৰতিবাদ কৰা নাই। গতিকেই মাননীয় সদস্য সকলৰ পৰা এই বিষয়ে আৰু তথ্য পাম বুলি আশা কৰিছো আৰু তেতিয়া এই বিষয়ে প্ৰতিবাদ কৰিব পাৰিম ।

শ্ৰীগিয়াচুদ্দিন আহমদ :—এইটো তদন্ত কৰিছে সচিব আৰু উপসচিবে, গতিকেই এই বিষয়টো যিহেতু টকাৰ প্ৰশ্নৰ লগত জৰীত, তেনেক্ষেত্ৰত অডিটৰ জেনেৰেলৰ দ্বাৰা স্পেচিয়েল অডিটৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :—বহু লাখ টকা হয়। কিন্তু এতিয়ালৈকে আমি স্পষ্টখবৰ পোৱা নাই। পিছত আৰু কিবা তথ্য ওলাব বুলিয়েই ব্যৱস্থা হাতত ৰাখিছো আৰু তাৰ পাচতেই আমি কাগজত দিব পাৰিম।

শ্ৰীবীৰেণ চৌধুৰী :—তেখেতে যিহেতু কৈছে যে সদনৰ পৰা আৰু তথ্য পাম ; গতিকেই মই মন্ত্ৰী মহোদয়ক কব বিচাৰিছো যে ৪৯নং লাখ টকা ৩১ মাৰ্চত নন্ প্লেন বাজেটৰ পৰা ড্ৰ কৰা হ'ল, এইটো এলিমেণ্টাৰী ইডুকেশান ডিপাৰ্টমেণ্টৰ কাৰণে, কিন্তু এইটো আছিল বিল্ডীংৰ কাৰণে আৰু এমাউন্ট ড্ৰ কৰিব লাগিছিল পৰিপুৰক বাজেটৰ অনুমোদন লৈ আৰু দ্বিতীয়তে এটা পইণ্ট হ'ল ১৭ লাখ টকা ফাৰনিচাৰৰ কাৰণে ৩১ মাৰ্চৰ আগতে ড্ৰ কৰিছে। কিন্তু ইয়াৰ কেবা বছৰৰ আগতেও টকা ড্ৰ কৰা হৈছিল আৰু সেই টকা খৰচ নকৰি ঘূৰাই নিদিয়াকৈ এই ১৭ লাখ টকা ড্ৰ কৰিছে, গতিকে এই অভিযোগৰ লগত এই কেইটা এনোমেলিৰো সম্পৰ্ক আছে নেকি ?

শ্ৰীপ্ৰেম বৰা :—অধ্যক্ষ মহোদয়, মই ইয়াৰ লগতে আৰু এটা কথা যোগ দিব বিচাৰিছো—তেখেত সাধু মানুহ আমি শ্ৰদ্ধা কৰো আৰু আমিও ইয়াত বহুতো শিক্ষক আছো। মন্ত্ৰী মহোদয়ে যে এই সদনতে ২০ লাখ টকাৰ ফাৰনিচাৰ দিশপুৰৰ পৰা বিভিন্ন জিলাবিলাকত কিনাৰ কাৰণে সুবিধা দিয়া হব বুলি প্ৰতিশ্ৰুতি দিছিল কিন্তু এই প্ৰতিশ্ৰুতি দিয়াৰ পিচতো এই ফাৰনিচাৰ

বিলাক দিশপুৰতেই কিনাৰ ব্যৱস্থা চলিছে, গতিকেই মন্ত্ৰী মহোদয়ে আগতে প্ৰতিশ্ৰুতি দিয়াৰ দৰে তাতেই কিনি বিতৰণ কৰাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীকেশৱ গগৈ ( মন্ত্ৰী ) :—মাননীয় সদস্যই কোৱাৰ দৰে শিক্ষা মন্ত্ৰী সাধু, আৰু বাকী বিলাক অসাধু মানুহ নেকি ? (হাঁহি)

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ) : মই সাধু হিচাবে পৰিচয় দিব নোখোজো কিন্তু এজন শিক্ষা মন্ত্ৰী হিচাবে পৰিচয় দিব পাৰিলেই ভাগ্যবান বুলি ভাবিম। আমাৰ মাননীয় সদস্য চৌধুৰী ডাঙৰীয়াই দিয়া কথাবিলাক আমি পাইছো, সেই টকা যেনে আছিল তেনেই আছে অপচয় হোৱা নাই, এই টকা যাতে ভালধৰণে ব্যৱহাৰ কৰিব পৰা যায় মাননীয় সদস্য সকলৰ সহযোগত তাৰ ব্যৱস্থা কৰা হৈছে। যৰা ডাঙৰীয়াই কোৱাৰ দৰে টেণ্ডাৰ কল কৰা হৈছিল কিন্তু সেইটো এতিয়া বন্ধ কৰা হৈছে। এই চিচটেম বাতিল কৰি জিলা ভিত্তিত কৰিবলৈ ব্যৱস্থা কৰা হৈছে। আগতে কিছু সময় গ'ল, এতিয়া ভুল অঙ্কটো শুদ্ধ কৰিবলৈ সময় লাগিব।

Shri Benoy Kumar Basumatary :—Mr. Speaker, Sir, I beg to raise the matter under rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to "Non allotment of land by the State Government to shift the Collectorate of Central Excise and Customs from Shillong to Gauhati. Sir this is an instance of loss of Assam share of revenue and other facillities ; this is a factual occurence under the emergency during the dark days of the Congress regime under Mrs.

Indira Gandhi where there were slogans like work more, talk less etc. Sir, the Congress Party was not interested for the welfare of this state. This is how it happened. Sir, on the 16th August, 1975, the collector or Central Excise and Customs, Shillong wrote to the chief Secretary, Govt. of Assam. vide his letter No. 1/4/1/Admn.II/75/24 saying that the Government of India has approved the shifting of the headquarter office of the Collectorate of central Excise and Customs from Shillong to Gauhati. Sir, this collectorate cover the State of Assam, Manipur, Nagaland, Meghalaya and the Union Territorry of Tripura, Mizoram and Arunachal pradesh. Sir, this collectorate collects a revenue of Rs: 97 crores and out of this Rs. 97 crores, about Rs. 96.99 crores they collect from the State of Assam.

Mr. speaker :—You are going beyond the scope of the points raised by you.

*Shri Benoy Kr, Basumatary :—Sir, I want to explain how Assam's share of revenue is being lost. The request from the Collectorate of central Excise and customs, Shillong has been made to the chief secy, Assam on 16th August/75 but till today land has not been given to them. In December/76, the Town planner, Shri Nath said that this office is not very important and so land cannot be given to this office. In this manner, this collectorate has not yet been shifted to Gauhati and it has

*Speech not Corrected

taken away the share of revenue and other facilities from the Govt. and the people of Assam.

শ্ৰীলক্ষেশ্বৰ গোহাঁই ( মন্ত্ৰী ): অধ্যক্ষ মহোদয়, এই সন্দৰ্ভত মই এটা বিবৃতি পাঠ কৰিব বিচাৰিছো যে কেন্দ্ৰীয় চৰকাৰৰ আবকাৰী আৰু শুল্ক বিভাগৰ শ্বিলঙত থকা কাৰ্য্যালয় গুৱাহাটিলৈ আনিবৰ বাবে অসম চৰকাৰে গুৱাহাটীত মাটি দিব পৰা নাই বুলি উত্থাপন কৰা বিষয়টোৰ বিষয়ে উল্লেখ কৰিব পাৰি যে উক্ত বিভাগে বা বিভাগীয় স্থানীয় কৰ্তৃপক্ষই অসমৰ ৰাজহ বিভাগলৈ মাটি বিচাৰি কোনো যোগাযোগ কৰা নাই। আনহাতে আমি চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ পৰা ১৯৭৭ চনৰ ফেব্ৰুৱাৰী মাহতে কেন্দ্ৰীয় চৰকাৰৰ আন আন বিভাগৰ লগতে আবকাৰী আৰু শুল্ক বিভাগৰ শ্বিলঙত থকা আয়ুক্তলৈ তেওঁলোকৰ বাবে গুৱাহাটীত কিমান মাটিৰ প্ৰয়োজন হব সেই বছৰৰে ১০ মাৰ্চৰ ভিতৰত জনাবলৈ চিঠিৰে সোধা হৈছিল, কিন্তু তেওঁলোকৰ পৰা কোনো উত্তৰ পোৱা নগল। পুনৰ যোৱা ডিচেম্বৰ মাহৰ ১৫ তাৰিখে সেই বিভাগৰ শ্বিলঙত থকা উত্তৰ পূৱ অঞ্চলৰ আয়ুক্তলৈ আবকাৰী আৰু শুল্ক বিভাগৰ কাৰ্য্যালয় আৰু বাসভৱন আদিৰ বাবে গুৱাহাটীত কিমান মাটিৰ প্ৰয়োজন হব—সাধাৰণ প্ৰশাসন বিভাগে দিয়া প্ৰ-পত্ৰমতে জনাবলৈ লিখা হয়। তাৰ উত্তৰত সেই বিভাগে আমাৰ আগৰ চিঠি পোৱা নাই বুলি যোৱা ১২-১-৭৮ তাৰিখৰ চিঠি যোগে জনায় আৰু কয় যে—তেওঁলোকে তেওঁলোকৰ গুৱাহাটীত থকা কেন্দ্ৰীয় আবকাৰী বিভাগৰ সহকাৰী সমাহৰ্তাৰ লগত যোগাযোগ কৰি অসম চৰকাৰক জানিবলৈ দিয়ে। এই মাহৰ ৯-৬-৭৮ তাৰিখৰ চিঠিৰ যোগে কেন্দ্ৰীয় আবকাৰী আৰু শুল্ক বিভাগৰ বিভিন্ন কাৰ্য্যালয় আৰু বাসভৱন আদিৰ বাবে গুৱাহাটীত ২৪ একৰ অৰ্থাত প্ৰায় ৭২ বিঘা মাটিৰ প্ৰয়োজন হব বুলি অসম

চৰকাৰৰ সাধাৰণ প্ৰসাশন বিভাগক জনাইছে। অসম চৰকাৰৰ উচ্চ বিভাগে বৰ্ত্তমানে ৰাজ্য চৰকাৰৰ আন আন বিভাগৰ মুখ্য কাৰ্য্যালয় (হেড্ অৱ ডি ডিপাৰ্টমেণ্ট)ৰ লগতে বা আন ঠাইত, ক'ত দিব পৰা হয় বিবেচনা কৰি আছে। অৱশ্যে এটা বিভাগৰ বাবে গুৱাহাটীৰ দৰে চহৰত ৭২ বিঘা মাটি পোৱা সহজ কথা নহয় তথাপি অসম চৰকাৰে সেই বিষয়ে যিমানদূৰ পৰা যায় মাটি বিচাৰি উলিয়াবলৈ যত্ন কৰি আছে। কেন্দ্ৰীয় আবকাৰী আৰু শুল্ক বিভাগে মাত্ৰ ৯৬-৭৮ তাৰিখেহে তেওঁলোকৰ প্ৰয়োজনীয় মাটিৰ পৰিমাণ অসম চৰকাৰক সাধাৰণ প্ৰসাশন বিভাগে কেবাৰাৰো যোগাযোগ কৰাৰ পিচতহে জনাইছে। গতিকে অসম চৰকাৰে উক্ত বিভাগে মাটি বিচৰা স্বত্বেও দিব নোৱাৰাৰ বাবেহে শ্বিলঙত থকা কাৰ্য্যালয় নামি আহিব পৰা নাই বোলা কথাবাৰত কোনো যুক্তি নাই। অসম চৰকাৰে সেই বিভাগক মাটি দিবলৈ যাবতীয় ব্যৱস্থাৰে বিবেচনা কৰি আছে"।

Shri Benoy Kr. Basumatary :—Sir, I challenge the information given by the Minister and I believe that it is not true ; the letter of the 16th Aug/75 I can place on the table of the House which had requested for only acres of land i.e. 24 bighas of land and not 72 bighas of land. I have all the documents with me and I can place these on the table of the House to prove that the statement made by the hon. Minister has been erroneously placed and he has given wrong information.

Mr. speaker :—The hon. member stands by his statement and he will prove in future, if necessary about the correctness of the statement,

Shri Benoy Kr, Basumatary :--Sir, I have copies of the letters.

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ :—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বহুতো অফিচ শ্বিলঙৰ পৰা অনা হৈছে আৰু তেনেকৈ কেন্দ্ৰীয় আবকাৰী শুল্কৰ বিভাগৰ কাৰ্য্যালয়টো আনিবৰ কাৰণে যথেষ্ট গুৰুত্ব দিয়া হৈছে। আমি আনন্দিত হৈছো আৰু আমাৰ মন্ত্ৰী মহোদয়ে জনাইছে যে তাৰ বাবে মাটি এটুকুৰা দিবৰ কাৰণে এটা ব্যৱস্থা কৰিছে। শ্বিলঙত অফিচ থকা সম্পৰ্কত মই কব বিচাৰিছো যে আমাৰ অসমৰ প্ৰায় চাৰে চাৰি লাখ ৰাজহ শ্বিলঙত খৰছ হৈ আছে আৰু এই অফিছৰ বাবে যিটো ঘৰ ভাড়া কৰি আছে তাৰ বাবদ প্ৰায় ৯০ হেজাৰ টকা দিব লগীয়া হৈছে। এইখিনি ৰেভিনিউ বা ৰাজহ, আমাৰ অসমৰ চাহ, খাৰুৱা তেল, সাৰ আদিৰ পৰা বিশেষকৈ তোলা হয়। যিয়েই নহওক এই ধৰণে কেইটামান অফিছ শ্বিলঙত থকাৰ কাৰণে আমি বহুখিনি ৰাজহ ভৰিব লগীয়া হৈছে। তাত অতিপাত ঠাণ্ডা হোৱাৰ কাৰণে—কয়লা জলোৱাত ৫০ হেজাৰ টকা দিব লাগে, হিলচ এলাওৰেনচ ৯৪ হেজাৰ টকা দিব লাগে আৰু কমপেনচেটৰী এলাওৰেনচ প্ৰায় ১ হেজাৰ টকা দিব লাগে—এইদৰে সদায় চাৰে চাৰি লাখ টকা দিব লাগে। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে—তেখেতে যিটো মাটি দিয়াৰ কথা কৈছে-সেইটো অতি সোনকালে দিব লাগে আৰু ঘৰ নোহোৱালৈকে ভাৰা কৰি ঘৰ লৈ হলেও সেই অফিছ বিলাক ইয়ালৈ আনিব বুলি আশা কৰিলো।

শ্ৰীপ্ৰেমধৰ বৰা :—অধ্যক্ষ মহোদয়, আমাৰ অসমীয়াত এটা কথা আছে 'নোধোওঁ গা ধুৰলী—নেখাও ভাত খুৱালি, নিগিলো কি কৰা

কৰ।' কেন্দ্ৰীয় চৰকাৰৰ অধীনত থকা অফিছ বিলাক তাত থকা কথাটো আচলতে ৰাজ্যখনৰ সকলোৱে জানে আৰু ৰাজ্যখনত এটা জনমত গঢ়ি তুলিবৰ কাৰণে - তেখেত সকলে মাটি দিয়া বুলি কৈছে - এইটো এটা ষড়যন্ত্ৰ, অসম চৰকাৰৰ। এই প্ৰসঙ্গত মেঘালয় চৰকাৰে ১০ মাহেই ৰাজহ পায় থাকে তেনেস্থলত এই অফিছবিলাক ইয়ালৈ আনিবলৈ বাধ্য কৰে কেনেকৈ ? গতিকে সেইবিলাক কথা চিন্তা কৰি অসম চৰকাৰে এই অফিছ বিলাক অতি সোনকালে অনাৰ চেষ্টা কৰিব লাগে।

শ্ৰীলক্ষেশ্বৰ গোহাই ( মন্ত্ৰী ) :—সেইটো চেষ্টা কৰা হব।

## PRIVATE MEMBER'S RESOLUTION

Mr- Speaker :-Item No- 5 ; further discussion on the private members' Resolution,

Shri Dewan Joynal Abedin :-Sir, with your permission I want to draw the attention of the House to a news item published in the Assam Tribune on 22nd, We have submitted notice.

Mr- Speaker :-I have not received any notice.

Shri Dewan Joynal Abedin : Sir. I want to raise it under Rule-50.

Mr. Speaker .—Rule 50 is a different thing. The item No. 5 is -further discussion on the following Private members' Resolution moved by Shri

Shamsul Huda on the 2nd June, 1978 "This
Assembly recommends to the Government of
Assam that for effective implementation of co-
mpulsory Primary Education among the poor
masses of the State etc., etc., ; here the last me-
mber who spoke was Shri Hemen Das. (Shri
Hemen Das is found absent). Now, Shri Kha-
gendra Nath Barbarua is to speak.

শ্ৰীখগেন্দ্ৰ নাথ বৰবৰুৱা :—চাৰ, যি সকল লোকে লিখা পঢ়া নাজানে
সেই সকলৰ অৱস্থা কেনে হব পাৰে সহজেই অনুমান কৰিব
পাৰি ! সেই সকলক শিক্ষিত সকলে কেনেকৈ ঠগ কৰি আছে
তাৰ এটা উদাহৰণ দিব খুজিছো। চেলেং হাইস্কুলৰ গ্ৰেজু-
ৱেট শিক্ষক এজনে ওচৰৰে বাৰী মানুহ এগৰাকীৰ মাটি বন্ধকী
ৰাখিছিল আৰু উকীলৰ লগত পৰামৰ্শ কৰি মানুহ গৰাকীৰ
টিপচহীলৈ বন্ধকী ব্যৱস্থা কৰিলে। কিন্তু তিনি বছৰ ধৰি
লক্ষীমপুৰত পানীৰ কাৰণে থাকিব নোৱাৰি উভতি অহাৰ পিচত
বাৰী গৰাকীৰ মাটি ডোখৰ এই শিক্ষিত মাষ্টৰ জনে ভোগ
দখল কৰিলে। উকীলৰ লগত পৰামৰ্শ কৰি মাটিৰ মালি-
কত্ব লোৱাৰ ব্যৱস্থা কৰিছে। কিন্তু বাৰী মানুহগৰাকীক আগতে
এই কথাটো জনোৱা নহল যে তিনি বছৰ হলে মাটিৰ মালি-
কত্ব হেৰুৱাব লাগিব। ঠিক তেনেকৈ লামডিং হৈ বদৰপুৰলৈ
যোৱা নামৰূপ এক্সপ্ৰেছ গাড়ীৰ ডবা কেইটামান কাটি দিয়া
হয় কিন্তু পঢ়িব নজনা বহু কেইজনৰ কথাই নাই আন বহু-
তেও টোপনি জালতে গৈ বদৰপুৰ পায়গৈ। গতিকে পঢ়িব
নজনা বিলাক যে কি ভয়ংকৰ বিপদত পৰে সেইটো সহজে
অনুমেয়। এই বিষয়ত এটা গল্প মনত পৰিছে। এহাল শিয়াল
শিয়ালী একেলগে এটা গাতত বাস কৰিছিল। পিচে এদিন

শিয়ালীয়ে শিয়ালক পোৱালী কেইটাৰ কাৰণে কিবা খোৱাৰ কাৰণে আনিবলৈ পাচিলে। শিয়াল গৈ গোটেই ৰাতিতো ঘূৰি একো নাপালে শেষত যেনিবা পণ্ডিত এঘৰৰ দুৱাৰ মুখত নে শিক্ষামন্ত্ৰীৰ ঘৰৰ আগত এটুকুৰা কাগজ পালে। ইফালে কুকুৰে খেদা দিয়ে। আনফালে মানুহ সাৰ পায়! এই ভয়ঙ্কৰ অৱস্থাত একো উপায় নাপাই কাগজখিলাকে লৈ গাতলৈ আহিল। শিয়ালীয়ে একো লৈ নহা কাৰণে শিয়ালৰ ওচৰত আপত্তি কৰিলে। পোৱালী কেইটাই কি খাব সেই কথা সুধিলে। পিচে শিয়ালে কলে যে সেইটো যি বস্তু আনিছে সেইখন এখন পট্টা। মহা মূল্যবান বস্তু। সিহঁতৰ থকা গাতটো সিদিনাৰ পৰা পট্টা হ'ল। এইটো কৈ শিয়ালীক প্ৰবোধ নিয়াব ধৰিলে। তাৰ পিচদিনাখন আকৌ খোৱা বস্তু বিচাৰি শিয়াল ওলাই গ'ল কিন্তু সিদিনাও একো নাপালে। বৰঞ্চ এটা বাঘে শিয়ালক পাই খাওঁ বুলি হুদুখেদা দিলে। ফোপাই জোপাই শিয়াল আহি গাত পালেহি। শিয়ালীয়ে আপত্তি কৰিলে গোটেই ৰাতিটো ধিতিঙালি কৰি ফুৰি খাবলৈ একো আনিব নোৱাৰা কাৰণে গালি দিলে। কিন্তু গাতৰ মুখত ৰৈ থকা বাঘটো গৰগৰাই দেখি শিয়ালীয়ে সুধিলে যে সেইজন কোনোবা আহিছে তেওঁক আগদিনাখন অনা পট্টাখন দেখুৱাই দিব লাগে তেতিয়া হলে গুচি যাব। কিন্তু শিয়ালে কথা বিষম দেখি কলে যে সেইজন এজন ডাঙৰ অফিচাৰ তেওঁ আগদিনাখন অনা পট্টা নাকচ কৰিব পাৰে। এনেকৈয়ে পঢ়িব নজনা সকলক লিখা পঢ়া জনা সকলে ঠগ কৰি আছে। ফাকি দি আছে। কিন্তু নিৰক্ষৰতা দূৰীকণৰ কাৰণে কি কৰিছে। বৃটিছৰ শাসন কালত ১৯৩৭ চনত কংগ্ৰেছে ৭খন দেশত শাসন পাই নিৰক্ষৰতা দুৰীকৰণৰ কাৰণে খৰতকীয়া আচনি লোৱা হৈছিল। ১৯৩৯ চনত যেতিয়া গোপীনাথ বৰদলৈ প্ৰধান মন্ত্ৰী আছিল

তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰীক প্ৰিমিয়াৰ বোলা হৈছিল। প্ৰথম সম্বৰ্দ্ধনা জনাবলৈ কটন কলেজত এখন মিটিং পাতিছিলো। মই তেতিয়া কটন কলেজৰ ইউনিয়ন চেক্ৰেটাৰী আছিলো। দৰ্খাস্ত দিবলগীয়া হৈছিল। লিখিত নাই কাৰণে মৌখিক ভাৱে হলেও দৰ্খাস্ত দিবলগীয়া হৈছিলো চহী নিদিয়াকৈয়ে। যি কৰা যায় তাৰ কাৰণে দৰ্খাস্ত এখন লাগিবই। সেই কাৰণে মুখে মুখেই দিছিলো। Sir, with due respect and humble submission I would request you to give me time from so and so to receive Shri Gopinath Bordoloi (voice : without signature ?) yes, without signature:

উইডাউট চিগনেচাৰ। তেতিয়াও নিৰক্ষৰতা দুৰীকৰণৰ কাৰণে অভিযান চলোৱা হৈছিল। নাইট স্কুল আদি আছিল। বিহাৰৰ মুখ্যমন্ত্ৰীয়ে নিজে ফলিপেঞ্চিল লৈ গাৱে গাৱে ঘুৰি ফুৰিছিল। যেতিয়া দ্বিতীয় বিশ্বযুদ্ধ হ'ল ১৯৪২ চনত আন্দোলন হ'ল তেতিয়া অৱশেষত গৈ ১৯৪৭ চনত বৃটিছৰ লগত সন্ধি হ'ল। আৰু দেশে স্বাধীনতা লাভ কৰিলে। শিক্ষামন্ত্ৰী আছিল আব্দুলকালাম আজাদ। তেওঁ পঞ্চাঙ্গ পদ্ধতি লৈ এখন আচনি কৰিছিল। সেই পঞ্চাঙ্গমুখী আচনিত (১) ইক-নমিক ডেভেলাপমেণ্ট (২) হেল্থ আৰু আইজিন (৩) ৰিক্ৰিয়েচন (৪) চিটিজেনচীপ (৫) মাচ লিটাৰেচি,, এই পাচটাকে লৈ পঞ্চাঙ্গমুখী আচনি কাৰ্য্যকৰী কৰিবলৈ উদ্যোগ কৰিছিল। কিন্তু বিভিন্ন কালৰ পৰা বিভিন্ন হেচাত পৰি বাকী বিলাক কিবা কিবি হলেও মাচ লিটাৰেচি কিন্তু হৈ নুঠিল। নিৰক্ষ-ৰতা দুৰীকৰণৰ বিষয়টো হলে থাকি গ'ল। বৰ্ত্তমান আমাৰ শিক্ষাৰ বিষয়ত যিটো ৰেকৰ্ড সেইটো চালেই ওলাই পৰিব। ১৯৭১ চনৰ লোকপিয়ল অনুসৰি কেৰেলাত শিক্ষিত মানুহ হৈছে ৬০°৪২, তামিলনাডুত ৩৯'৪৪, মহাৰাষ্টত ৩৯:৩৮, গুজৰাটত

২৫·৭৯ পশ্চিম বঙ্গত ৩৩·২০, মণিপুৰত ৩২·৯০, হিমাচল প্ৰদেশত ৩১·৯৬ কৰ্ণাটকত ৩১·৫২, ত্ৰিপুৰাত ৩০·৮, মেঘালয়ত ২৯·৪৯ আৰু অসমত ২৮·৭২। সেই ফালৰ পৰা অসমৰস্থান দ্বাদশ। আটাইতকৈ তলত পৰি আছে জম্মু কাশ্মীৰ। অৰ্থাত তাত শিক্ষিতৰ সংখ্যা হৈছে ১৮·২৮ আৰু তাতোকৈ তলত আছে অৰুণাচল। তাত ১১·২০ শিক্ষিত লোক আছে। আমাৰ দেশত ২৮·৭২ জন শিক্ষিতৰ হাৰ বুলিকোৱা হৈছে যদিও এক বছৰৰ পৰা ছয় বছৰলৈ কিমান শিশু আছে সেই হিচাবটো ষ্টেচিচটিক্স ( পৰিসংখ্যা ) বিভাগে দিয়া নাই। আজি মাচ লিটাৰেচিৰ ক্ষেত্ৰত লৰা ছোৱালীৰ ভৰণ পোষণৰ অসুবিধাৰ কাৰণেই মূল অসুবিধা বুলি পৰিগণিত হৈছে। অ'ত ত'ত থৈ লৰা বিলাকক ভৰণ পোষণ নিওৱাৰ উপৰিও নিজেও দুই চাৰি পইচা পাই মাক বাপেক সকলেও বাচি আছে। কোনো বাগিচাত শিশু লেবাৰ ব্যৱহাৰ কৰা হৈছে। প্ৰায় বিলাকতেই হৈছেগৈ এতিয়া। বাগিচাৰ ফালৰ পৰাও ভাল পায় কিয়নো মগৰীয়া বানচ বা ৰেচন আদি দিব লগীয়া নহয়। আমাৰ ইয়াতে যোল্ল বিশ মাইল মান হব শোৱালকুছিত সৰু সৰু লৰা বিলাকে সূতা কাতে। শিক্ষাত পিচ পৰি থকাৰ কাৰণেই এই অৱস্থা হবলৈ পাইছে ! ইয়াৰ কাৰণে এটা জোৱাৰ আহিব লাগিব। এটা আলোড়ণ হব লাগিব। স্বাধীনতাৰ কাৰণে যেনেকৈ আলোড়ণ উঠিছিল এতিয়া নিৰক্ষৰতা দূৰীকৰণৰ কাৰণেও তেনে এটা আলোড়ণ উঠিব লাগিব। ইয়াত আগভাগ লব লাগিব চৰকাৰে আৰু জনতা পাৰ্টিয়ে। কিয়নো জনতা পাৰ্টিয়ে ৰাইজৰ পৰা সহায় সমৰ্থন পাই ৰাইজৰ শাসনৰ ভাৰ হাতত লৈছে। আমাৰ যদি সহায় বিচাৰে আমাৰ ফালৰপৰাও এই ক্ষেত্ৰত সহায় সহযোগ আগবঢ়াম ঘৰৰ সমীপতে থকা স্কুললৈও মাক বাপেকে লৰা ছোৱালী পঠোৱাৰ ইন্ধন পাব লাগিব। আজি চল্লিশজন ছাত্ৰ-ছাত্ৰীৰ মাজত এজন শিক্ষক ৰখাৰ যিটো ৰেচিঅ উলিয়াইছে সেইটো ঠিক হোৱা

নাই। নালন্দা বিশ্ববিদ্যালয়ত দহহাজাৰ ছাত্ৰৰ মাজত পোন্ধৰশ শিক্ষক আছিল অর্থাৎ গড়ে একোজন শিক্ষকৰ তলত সাৰে সাত জন ছাত্ৰ পঢ়িছিল। কিন্তু এতিয়া ইমান দিনৰ পিচতো মাত্ৰ এজন শিক্ষক দিয়া হৈছে চল্লিশ জনৰ মাজত। এইটো সম্ভৱপৰ নহয়। সমাজ ইমান আগবাঢ়ি অহাৰ পিচতো শিক্ষাৰ ক্ষেত্ৰত পিচপেলাই থোৱা হৈছে। এইটো ঠিক হোৱা নাই।

এই প্ৰস্তাৱৰ জৰিয়তে দুটা কথা ডাঙি ধৰা হৈছে। এটা হৈছে যি সকল গৃহস্থৰ বা লৰা ছোৱালীৰ অভিভাবকৰ লৰা ছোৱালীক স্কুললৈ পঠিয়াবৰ সামৰ্থ নাই তেওঁলোকক ১০০ টকা দিয়াৰ কথা কৈছে আৰু দ্বিতীয়তে সেই প্ৰস্তাৱৰে সংশোধনী দিছে যে গৃহস্থসকলক শিক্ষাৰ সা-সজুলি দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই দুয়োটা কথা ৰিজাই চালে খৰচৰ কথা আছেই। সা-সজুলি দিলেও খাবলৈ ভাত দিব লাগিব, পিন্ধিবলৈ কাপোৰ দিব লাগিব। এই খাবলৈ ভাত, পিন্ধিবলৈ কাপোৰৰ গুদাম আৰু লগতে কিতাপ কাগজ চিলেট দিবই লাগিব। গতিকে লাগিলে কমকৈয়ে টকা দিয়ক টকা দিলেই সহজ হয় আৰু তেতিয়া চৰকাৰৰ বহুত দায়ীত্ব পাতলি যাব। তাৰ পিচত আমাৰ স্কুল বিলাকত বুক বেংক খোলা দৰ্কাৰ। যিবিলাক ছাত্ৰ ছাত্ৰীয়ে কিতাপৰ অভাবত পঢ়িব নোৱাৰে তেওঁলোকে সেই বুক বেংকৰ পৰা কিতাপ লব কিন্তু, ৬ মাহ বা বছৰেকৰ পাছত কিতাপ ফালিলেও ঘুৰাই দিব লাগিব। চৰকাৰৰ বহুত হাজাৰ টকা এনেয়ে অপচয় হয়। সিদিনাখন ৪০৯ কৌটি এই সদনত গৃহীত হৈছে। তাৰে কমেও ১০০ কৌটি অপচয় হাৰাটো খাটাং। গতিকে আমাৰ স্কুলত পঢ়িবলৈ বা নৈশ বিদ্যালয় খুলিবলৈ যিখিনি পইচা খৰছ হব সেইখিনি ইনভেষ্ট কৰা বুলি ধৰি লব লাগে। যিখন সমাজত শিক্ষাৰ ব্যৱস্থা নাই সেইখন সমাজ পিচপৰা সমাজ। সমাজ আগবাঢ়ি যোৱা দস্তুৰ হৈছে শিক্ষা। কোনো এখন দেশ কিমান

আগবঢ়া ভাক নির্ণয় কৰে শিক্ষাই। দ্বিতীয় কথা যিবিলাক বাগান আছে বা শিল্প আছে সেইবিলাকত যাতে ল'ৰা ছোৱালী বাধ্যতামূলকভাবে শিক্ষা দিয়া হয় তাৰ কাৰণে দৰ্কাৰ হলে লেজিচলেচন কৰিব লাগে। বাগানবিলাকত কৰ্ম্মী সকলে ৭-৮ ঘন্টা কাম কৰিব লাগে গতিকে সেই হিচাবে অন্ততঃ এঘন্টা লৰা ছোৱালীক পঢ়োৱা বাধ্য কৰাব লাগে আৰু তেখেত সকলে তাৰ কাৰণে যাতে খৰছ বহন কৰে সেই ব্যৱস্থা কৰিব লাগে। আনকি যি সকলে গাওঁত বা চহৰত লৰা ছোৱালী ৰাখি কাম কৰাইছে তেওঁলোকক কিবা প্ৰকাৰে নিৰ্দ্দেশ দিয়াৰ ব্যৱস্থা কৰিব লাগে যাতে তেওঁলোকে সেই লৰা ছোৱালীক পঢ়িবলৈ বাধ্য কৰায়। তেতিয়াহে মই ভাবো শিক্ষা বিস্তাৰ হব।

মই এটা উদাহৰণ দিছো আমি যেতিয়া কটন কলেজত পঢ়িছিলো তেতিয়া দিপেন শৰ্ম্মা নামৰ বজালী অঞ্চলৰ এজন লৰা আছিল—এতিয়া বোধকৰো অসম ট্ৰিবিউনত আছে, তেওঁ ডাক্তৰ ভুবনেশ্বৰ বৰুৱাৰ ঘৰতে সকলো কাম কৰিছিল আনকি মাইকী মানুহৰ কাম কাজো কৰিছিল। ডাঃ বৰুৱা বৰ দয়ালু মানুহ আছিল। তেওঁ কৈছিল সকলো কাম কৰিলেও তেওঁ স্কুলত পঢ়িবই লাগিব আৰু তেওঁ সেইধৰণে তেওঁক বাধ্য কৰালে। আৰু সেইদৰে তেওঁ মেট্ৰিক পাছ কৰিলে। তাৰ পিচত কি কৰা হ'ল সেইবিলাক কবলৈ নাযাও পিচত তেওঁ গ্ৰেজুৱেচন ললে। গতিকে শিক্ষিত শ্ৰেণীৰ লোকৰ মাজত এই ধৰণৰ দয়া থকা উচিত। অৱশ্যে বহুতৰে সেই দয়া নোপোজে। সিদিনা এজনে সেই কাৰণে বেয়াই পাইছিল এতিয়া কথা হৈছে চৰকাৰে এই কাম লগে লগে কৰিব নোৱাৰিলেও অন্ততঃ গৰীব জনসাধাৰণৰ কাৰণে কিছুমান নৈশ বিদ্যালয় খুলি তাৰ চাহিদা পুৰন কৰিবলৈ আগবাঢ়ি আহক তাকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীযোগেন গগৈঃ—সন্মানিত অধ্যক্ষ মহোদয়, মই এই প্ৰস্তাৱটোৰ ওপৰত বক্তৃতা দাঙি ধৰিব খুজিছে। বৰ্ত্তমান ৰাষ্ট্ৰৰ যন্ত্ৰটোক এটা পুজিবাদলৈ আগবঢ়াই লৈ যাৱা হৈছে ফলত জনমুখী নীতি কাৰ্য্যকৰী কৰাত বাধাৰ প্ৰমাণ প্ৰতিষ্ঠিত। গতিকে কেনেকৈ তাক ঘুৰাই আনি জনমুখি কৰা যায়, কেনেকৈ জনসাধাৰণৰ মঙ্গলকামী কাৰ্য্যসূচীৰ উন্নতি কৰি জনগনৰ মুক্তি-সাধন কৰা যায় এই বিষয়ে এটা চিন্তাৰ প্ৰশ্ন আহিছে। ইয়াৰ মূলতে চাব লাগিব যাতে জনসাধাৰনৰ নিৰক্ষৰতা গুচাব পৰা যায়, লৰা ছোৱালী বিলাকক যাতে শিক্ষা দিবপৰা যায়, এই কথাকে। আজি যদি সমাজৰ অধিক সংখ্যক লৰা ছোৱালীয়ে নিৰক্ষৰ হৈ থাকি যায় তেতিয়া দেশে উন্নতি লাভ কৰিব নোৱাৰে। এই কথাটো দুখন দেখৰ লগত ৰিজাই চালেই ভালকৈ বুজা যাব। আজি আমাৰ দেশত শতকৰা ৭৪ ভাগেই দাৰিদ্ৰ সীমা ৰেখাৰ তলত আছে এই সকলৰ অৱস্থা অতি শোচনীয় আৰু তাৰ কাৰণে পুজিপতি সকলে তাৰ প্ৰাধান্য লাভ কৰিছে। আৰু গোৱেঙ্কা, ডালমিয়া, বিৰলাৰ সম্পত্তি কোটি কোটিকৈ বাঢ়ি গৈছে।

দুখীয়া মানুহ, নিৰাশ্ৰয়লোক, শতকৰা ৭৪ ভাগ। দাৰিদ্ৰ সীমাৰেখাৰ লোক বুলিলে কাক বুজায় তাক চাবলৈ গুৱাহাটী ৰেল ষ্টেচনৰ দুয়োকাষৰ অভাৱগ্ৰীজ দুখনৰ তলত বছৰেকে বছৰ ধৰি জীৱনৰ দিনবোৰ কেনেকৈ কটাইছে তাৰ প্ৰমাণ পাব। দলংৰ ওপৰেদি মটৰ গাড়ীত ধনী মনুহ কিন্তু গৈয়েই থাকে।

এইদৰেই গাৱঁৰ জনসাধাৰনৰ দুখ দৈন্যতা ক্ৰমাগত ভাৱে বাঢ়ি আহিছে অৰু কাটি পতি সকলে দালান নিৰ্মাণ কৰিছে। এই দুটা পৰস্পৰ খাপ নোখোৱা কথা। অধ্যক্ষ মহোদয়, দুটা তিনি মহীয়া লৰা এটা দুখীয়া খাবলৈ নেপোৱা খেতিয়কৰ ল'ৰা আৰু এটা পুজিপতিৰ লৰা, এই দুটা ল'ৰাক এটা বাকচত ভৰাই পাচেল কৰি লণ্ডনৰ পৰা ভাৰতবৰ্ষলৈ বা অসমলৈ পঠাই দিয়া যাওক।

অসম আহি পালে দেখা যাব যে তাত দুটা তিনিমহীয়া লৰা আছে। এই তিনিমহীয়া লৰা দুটাৰ অৱস্থা সম্পৰ্কে বা মাক-ৰাপেক সম্পৰ্কে জানিবলৈ হলে সিহঁতক সুধিব লাগিব আৰু যেতিয়া জনা যাব যে যিটো কোটি পতিৰ লৰা সেইটোৱে ভালকৈ থকা-খোৱা, পিন্ধাৰ আৰু পঢ়াৰ সুবিধা দিয়া হব। আৰু যিটো দুখীয়া মানুহৰ লৰা, শতকৰা ৭৪ ভাগ দাৰিদ্ৰ সীমা ৰেখাৰ তলত থকা সেই লৰাটোৱে আগৰটোৰদৰে সুবিধা নাপায়। কিন্তু সেই একে লৰা দুটাবে যদি একেটা পাৰ্চেলতে ভৰাই এখন সমাজবাদী দেশলৈ পঠোৱা হয়, তেন্তে সেই সমবয়সৰ লৰা দুটাক সমানেই খোৱা, পিন্ধাৰ আৰু পঢ়াৰ সুবিধা পাব। পঢ়ি-শুনি যেতিয়া নিজৰ গুণ গৰিমা দেখুৱাব পৰা হব সেইমতে নিজৰ গুণ অনুসাৰে লাইন (ব্যৱস্থা) লব। তাত কোন পুজিপতিৰ লৰা কোন শতকৰা ৭৪ ভাগ দাৰিদ্ৰৰ সীমা ৰেখাৰ তলত থকা, খাবলৈ পিন্ধিবলৈ নোপোৱা ঘৰৰ লৰা সেই প্ৰশ্নটো তাত নাহে তাৰ ফলত জাতীয় জীৱন পুনৰ গঠন কৰাৰ সম্ভাৱনা অটুট হয়, কিন্তু আমাৰ দেশৰ ক্ষেত্ৰত তাৰ ব্যৱধান অত্যন্ত দেখা যায়। ইয়াৰ মূলতে হৈছে "আমাৰ ৰাষ্ট্ৰ যন্ত্ৰৰ প্ৰশাসনৰ দোষ"।

আমি দেখিছো আমাৰ লৰা ছোৱালীয়ে কিতাপ পঢ়িবলৈ হলে ঢাৰা এখনত বহে আৰু এটা কেৰাচিন তেলৰ চাকিৰ পোহৰত ধুৱলি-কোৱঁলিকৈ পাঢ়বলৈ ধৰা অৱস্থাতে মাকে পঢ় পঢ় কৈ এচাৰিৰে মৰিয়াই থাকে। কেতিয়াবা এই তেলৰ চাকিটো জ্বলাবলৈয়ো তেলৰ অভাব আৰু এই ধৰণেৰে কিতাপ পঢ়িব লগা হয়। আনহাতে, কোটি পতিৰ ঘৰত কাম কৰা চাকৰণি ছোৱালী এজনীয়ে একোটা চৰ্ত্তত কাম কৰিব লগা হয়। চৰ্ত্তটো হৈছে তাই পুৱা গধুলি কাম কৰিব আৰু মাজৰ সময় চোৱাত স্কুললৈ গৈ পঢ়িব। কিন্তু ঘৰত পঢ়াৰ বাবে সময় তাইৰ নাই। আমি এনেকুৱা দেখিছো যে পঢ়াৰ

প্ৰতি অসীম আগ্ৰহ থকা একোজনী ছোৱালীয়ে ৰাস্তাৰ দাতিত গছৰ তলতে বহি ফ্ৰকটো তললৈ নমাই লৈ আঁঠুকাঢ়ি বহি স্কুলৰ পৰা অহা বাটত তাই দিনটোৰ পাঠ আওৰাব লগা হয়, কাৰণ ঘৰ আহি পালেই ঘৰৰ বনত লাগিব আৰু মালিক-মালিকনীয়ে পঢ়িব খুজিলেই কামত লগাব। ঘৰৰ বন কৰাৰ বিনিময়ত তাইৰ মাক-বাপেকক মাহিলী ১৫-২০ টকা দিব। আনহাতে আমি এনে লৰাও দেখিছো যে ঘৰত পঢ়িবলৈ এটোপা কেৰাচিন তেলৰ অভাৱত পঢ়িব নোৱাৰি ৰেলষ্টেচনৰ মুকলি লাইটৰ তলত পঢ়িব লগা হয়। সেই লৰা-ছোৱালীয়ে যদি মেজত কিতাপ থৈ, লাইটৰ পোহৰ আৰু ফেনৰ তলত দেহ মন জুৰাই, মাজে মাজে একোকাপ চাহ বা কফি খাই পঢ়িবলৈ পালেহেতেন তেন্তে তেওঁলোকে মেধা শক্তিৰ পৰিচয় দিব পাৰিলেহেতেন। এইদৰেই যে আমাৰ দুখীয়া নিচলাৰ লৰায়ো কৃতিত্বৰে উত্তীৰ্ণ হয় আৰু এনেদৰে যদি নপঢ়িলেহেতেন তেন্তে আওমৰণেৰে মৰিব লগা হলহেতেন।

অধ্যক্ষ মহোদয়, আমাৰ দেশত যদি আটাইতকৈ কিবা এটা ভাল অনুষ্ঠান আছে সেইটো হৈছে আমাৰ এল পি স্কুল সমূহ। কিন্তু দুখৰ বিষয় গাওঁখনৰ মাজত এই অনুষ্ঠান-টোৱেই আটাইতকৈ দুৰৱস্থাৰ অনুষ্ঠান এনে একোখন স্কুল আছে যত এ কাটা চাবোনৰ বাকচত পিঠিয়া পিঠিকৈ দুং ৰাকী শিক্ষয়ত্ৰীয়ে বহি শিক্ষা দান কৰিব লাগে। আনহাতে একোজন মাষ্টৰেই ৫০।৬০ টা লৰা-ছোৱালীক অকলেই পঢ়ুৱাব লগা অৱস্থাও হয়। গতিকে মই কব খুজিছো যে এই ধৰণৰ যদি অৱস্থা থাকে তেন্তে আমাৰ গাৱঁৰ লৰা-ছোৱালীৰ পঢ়াৰ প্ৰতি আগ্ৰহ থাকিলেও উঘাব নোৱাৰে। স্কুললৈ যোৱা লৰাকো মাকে বাটৰ পৰা ওভোটাই আনিব লাগে, কাৰণ গাত চোলা, পটলুঙত বুটাম আৰু

হাতত কিতাপ নোহোৱাকৈ গলে মাস্টৰে ওভোটাই পঠাব। এনে ধৰণৰ অৱস্থাবিলাকো আমি দেখিছো এনেকুৱা অৱস্থাও যে দুটা লৰা—এটা ধনী মানুহৰ ঘৰৰ আৰু আনটো দুখীয়া ঘৰৰ লৰাৰ মাজত যদি কাজিয়া লাগে তেন্তে দুখীয়া ঘৰৰ লৰাটোৱে ধনী ঘৰৰ লৰাটোক খেদি যোৱাৰ সাহস নাথাকে। সি হুহকি যাব লগা হয়, কাৰণ ধনী ঘৰৰ লৰাটোৰ মৰি-বাপেকৰ ভয়ত। অৰ্থাত সমাজত যি ধনী মানুহ তাৰেই নাম আছে, সন্মান আছে। আমাৰ শিক্ষা ব্যৱস্থাটো এনেকুৱা হৈছে যে কিতাপত লিখা আমি পাওঁ—"ৰজা ৰাণীক ঈশ্বৰে কুশলে ৰাখক" অৰ্থাত বাকীবোৰ মৰক। "ধন যাৰ মান তাৰ" অৰ্থাৎ— ধন যাৰ নাই তাৰ মানো নাই। এনে ধৰণৰ আৰ্হিৰেই আমাৰ কিতাপ বিলাক ৰচনা কৰা হৈছে। গতিকে সেইবিলাকৰ প্ৰতি আমি ভালকৈ মন কৰিব লাগে।

আন হাতে আমি দেখা পাওঁ যে আমাৰ সমাজত দুটা চিত্ৰ আছে। এফালে ধনী মানুহ আৰু আনফালে দুখীয়া মানুহ। ধনী মানুহৰ লৰাই আনন্দ কিন্দাৰ গাৰদেন, মণ্টেশ্বৰী চিচ্‌টেম আৰু পাবলিক স্কুল আদিত পঢ়ে। কিন্তু নেতা সকলে কয়—আমাৰ লৰা-ছোৱালীয়ে মাতৃ ভাষা শিকক কিন্তু তেওঁলাকে নিজে সেই পন্থা নলয়।

গতিকেই মই কব খুজীছো যে দেশৰ গৃহীত নীতিৰ ভিত্তিতেই আমাৰ শিক্ষা পদ্ধতি আগবঢ়াই লৈ যাব লাগিব। আমাৰ দেশ সমাজবাদী কৰি গঢ়িতোলাৰ কথা কৈছো। সমাজবাদী দেশ এখনৰ কাৰণে এনেধৰণৰ শিক্ষা ব্যৱস্থা কৰিব লাগিব, যি শিক্ষা ব্যৱস্থাই আমাৰ দেশত সমাজবাদ গঢ়াৰ কাৰণে বৰঙনি যোগাব তেনেধৰনৰ শিক্ষা ব্যৱস্থা কৰিব লাগিব। আমি আন আন সমাজবাদী দেশ বিলাকত দেখিছে শিক্ষা ব্যৱস্থা কেনেকৈ শক্তিশালী কৰা হয়, শিক্ষা ব্যৱস্থা

কেনেকৈ স্থায়ী কৰা হয় তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। আমাৰ ইয়াত শিক্ষা ব্যৱস্থা দুৰ্বল হোৱাৰ কাৰণেই মানুহৰ মাজত বিভেদ বেচি হৈছে হিংসা দ্বেষ বেচি হোৱাৰ ঘটনা ঘটিবলৈ পাইছে। এই বিলাক অনতিপলমে দূৰ কৰাৰ কাৰণে চেষ্টা কৰিব লাগিব। এই বিলাক কৰিবলৈ যাওতে শিক্ষা ব্যবস্থা জনমুখী কৰিব লাগিব। আমি সাধাৰণতে বাগান বিলাকলৈ গলে দেখিবলৈ পাও যে তাত লৰা ছোৱালী বিলাকক স্কুললৈ নপঠায় বাগানৰ কামত সৰুতেই চুকৰা চুকৰী কৰি মকৰল কৰে। তাৰ পিচত অন্যান্য কামলৈ ডাঙৰ হলে প্ৰমোচন দিয়ে। কিন্তু সেই বিলাক লৰা-ছোৱালীক স্কুললৈ পঠালে সেই বিলাক শিক্ষিত হৈ বাবু হব পাৰে, ডাক্তৰ হব পাৰে. ইঞ্জিনিয়াৰ হব পাৰে ইত্যাদি হব পাৰে। কিন্তু এই বিলাক লৰা-ছোৱালী পঢ়ি শুনি ডাঙৰ মানুহ হলে চাহপাত তোলাৰ কাম" কোনে কৰিব? সেই কাৰণেই এই শ্ৰেণীৰ মানুহক এই দৰেই বাহিৰলৈ ওলাব নোৱাৰকৈ পুহি ৰাখিছে। এই বিলাক প্ৰাৰ্থক্য আমি আমাৰ সমাজত দেখিবলৈ পাইছো। সেই কাৰণেই মই কব বিচাৰিছো যে আমাৰ মজদুৰ ভাই সকলৰ লৰা ছোৱালী বিলাকক শিক্ষা দিয়াৰ কাৰণে বিশেষ ব্যৱস্থা কৰিব লাগে। আমাৰ লৰা ছোৱালীয়ে শিক্ষা লৈয়ো আজি চাকৰিৰ কাৰণে হাহাকাৰ কৰিবলগীয়া হৈছে। এটা লৰাই ২৩ বছৰত বি এ পাচ কৰাৰ পিচত আৰু চাকৰি বিচৰাৰ কাৰণে আৰু দুই বছৰ সময়হে পায়। সেই সময়তেই চাকৰি বিচাৰি লব পাৰিলে ললে নহলে নিবনুৱা হব লাগিব। এইদৰে লৰা-ছোৱালীবিলাক শিক্ষা লৈয়ো নিবনুৱা হৈ থাকিব-লগীয়া হোৱাৰ কাৰণেই এই সকলৰ মনত হতাশ ভাব আহি গৈছে। শিক্ষাৰ কাৰণে মানুহৰ মনত যাতে হতাশ ভাব আহিব নোৱাৰে তাৰ কাৰণে ব্যৱস্থা কৰিব লাগিব। মই কব বিচাৰিছো আমাৰ যি বিলাক শিক্ষিত সন্তান আছে যি বিলাক শিক্ষিত নিবনুৱা আছে সেই সকলক নিবনুৱা ভাত্তা

দিব লাগিব। আন আন সমাজবাদী দেশ বিলাকত আমি দেখিবলৈ পাইছো যে এজন লৰাই শিক্ষা লৈ থকা অৱস্থাতে শিক্ষা শেষ কৰাৰ পিচত কত কেনেকৈ মকৰল কৰা হব সেই বিলাক থিক হৈ থাকে কিন্তু আমাৰ দেশত তেনেকুৱা কোনো ব্যৱস্থা নাই। গতিকেই আজি শিক্ষা লৈ কতো মকৰলৰ সুবিধা নোপোৱাৰ কাৰণেই আজি আমাৰ দেখত লাখ লাখ নিবনুৱা বাঢ়িব হব লাগিছে। লাখ লাখ লৰাই মেট্ৰিক পাছ কৰি, আই এ, বি এ পাছ কৰি ওলাই আছে আৰু সেই একেটা গতিতেই লাখে লাখে নিবনুৱা বাঢ়ি গৈছে। অধ্যক্ষ মহোদয়, আপুনি শুনি আচৰিত হব যে এজন ডক্টৰেট উপাধি লোৱা মানুহে এম ই স্কুলত চাকৰি কৰি আছে। এয়ে অসমৰ চৰিত্ৰ, এয়ে ভাৰতৰ চৰিত্ৰ, এয়ে আমাৰ শিক্ষাৰ মানদণ্ড। কলাগুৰু বিষ্ণু ৰাভাই এটা গীতত লিখিছিল যে—

"আমি খোৱাওঁ বিশ্ববাসীক মাটি ফালি ধান
আমি যোগাও ধনীক শ্ৰেণীক অস্ত্ৰ শক্তিমান
কাৰখানা কল আমাৰ সৃজন পথাৰ সু-বহল
তেওনো কিয় আমাৰ এনে আলাই বিলাই ভল"

তাৰ মানে তেখেঁতে কৈছে যে আমি জন্ম হৈ যি টুকুৰা মাটি পাওঁ সেই মাটিতো আমাৰ অধিকাৰ নাই। চাহপাত তুলিছে মজদুৰে· চাহপাত তৈয়াৰ কৰিছে মজদুৰে, বজাৰলৈ চাহপাত লৈ গৈছে মজদুৰে, বজাৰত বিক্ৰী কৰিছে মজদুৰে কিন্তু পইচা মজদুৰে লোৱা নাই; পইচা লৈছে মালিকে। গাৰ ঘাম মাটিত পেলাই চাহপাত তোলাৰ পৰা বিক্ৰী কৰালৈকে সকলো বিলাক কামকেই কৰিছে মজদুৰে, উপাৰ্জ্জন কৰিছে মজদুৰে কিন্তু টকা লোৱাৰ সময়ত মালিক আহি পৰে। আমাৰ শিক্ষানীতিৰ কাৰণেই এই বিলাক চক্ৰৰ সৃষ্টি হৈছে। আমি এই ধৰণৰ শিক্ষা ব্যৱস্থা বাদ দি গঠনমূলক চিন্তাধাৰাৰে নতুন পোহৰৰ ফালে আগবঢ়াই লৈ যোৱাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব

লাগিব । সেই কাৰণে আমি আমাৰ উঠি অহা বংসধৰ সকলৰ কাৰণে বিশেষ ভাবে গুৰুত্ব দিব লাগিব , কুমলীয়া বাহ যেনেকৈ ভিৰাব পাৰি বা বুঢ়া বাহ ভিৰাব নোৱাৰি সেই দৰে আমাৰ লৰা-ছোৱালী বিলাকক কোমল বয়সতেই ভাল শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগিব । মোৰ দেউতাই এটা কথা শিকাইছিল যে মুগা তিনিবিধ । পকা মুগা পলুটো মুঠি মাৰি ধৰিলে যদি পলুটো হাতৰ পৰা ওলাই যায় তেতিয়াহলে বুজিব যে সেই পলুটো শক্তিশালী আমাৰ এটা স্কুলীয়া লৰাৰ হাতখনত থাপ মাৰি ধৰিলে হয় হে হে কৈ হাহিব নহলে ভয়তে কপিব । কিন্তু আমি অন্যান্য দেশ বিলাকত দেখিছো, আমি হাতখন আগবঢ়াই দিলে তেওঁলোকেও হাতখন আগবঢ়াই দিয়ে । মই নিজে দেখিছো আলেকজেন্দ্ৰিয়া City ত এগৰাকী মাকে এটা ৬ মহীয়া শিশু ফুৰাবলৈ লৈ গৈছে । মই তাৰ গালখনত টিপা মাৰি দিয়াত সি হাহিলে । তাৰ পিচত আঙুলি এটা ধৰিবলৈ দিয়াত আঙুলিত ধৰিলে তাৰ পিচত তাক টানি ধৰোতে গোটেই-টোৱেঁই উঠি আহিল । তাৰ মাকৰ অৱস্থা ভাল, শক্তিশালি হোৱাৰ কাৰণেই সেই শিশুটোৰ অৱস্থা ভাল । মাকৰ উত্ত-ৰাধীকাৰি হিচাবে শক্তি পাইছে । যদি আমাৰ দেশৰ মাতৃ সকলৰ অৱস্থা ভাল হলহেতেন তেতিয়াহলে আমাৰ দেশৰ লৰা-ছোৱালী বিলাকৰ অৱস্থা ভাল হলহেতেন । সেইবিলাক দেশত লৰা-ছোৱালীক যেনে ধৰণৰ শিক্ষা দিয়া হয় সেই ধৰণৰেই আমাৰ ইয়াটো শিক্ষা দিয়াৰ কাৰণে নাৰ্চাৰী স্কুলৰ ব্যৱস্থা কৰিব লাগিব । মই এবাৰ ২৫ জন লৰা ছোৱালীৰ এটা শোভাযাত্ৰৰ নিচিনাকৈ অহা লৰা এদল লগ পাইছিলো । সেই শিশু বিলাকৰ বয়স আঢ়ৈ বছৰৰ পৰা তিনি বছৰৰ ভিতৰত হব । মই প্ৰথম লৰাটোৰ কৰমৰ্দন কৰিবলৈ হাত আগবঢ়াই দিয়াত সিয়ো হাত আগবঢ়াই দি কৰমৰ্দন কৰিলে ।

এইদৰেই প্ৰত্যেকটো লৰাই মোৰ লগত কৰমৰ্দন কৰিলে। কিন্তু যেতিয়া শেষৰ লৰাটো আহিল তাৰ হাত দুখনত দেখিলো দুমুঠি বালি। মই ইতিমধ্যে হাত আগবঢ়াই দিলোৱেই। তেনে অৱস্থাত সি কি কৰিব ? সি বালিমুঠি পেলাই মোৰ লগত কৰমৰ্দন কৰিলে। এইবিলাক হৈছে সেই বিলাক দেশৰ শিক্ষাৰ ফল। শিক্ষা বুলিলে কাৰোবাক ঠগি কোনোবাই খোৱাটো নুবুজাই। আমাৰ ইয়াত যিটো শিক্ষা পদ্ধতি তাত চলা নাই। আমাৰ ইয়াত যি পানী খোৱা ছুটি হয় তেতিয়া আমাৰ লৰা-ছোৱালীয়ে খেলা ধুলা কৰে। মই এখন এম ভি স্কুলত দেখিছিলো পানী ছুটিৰ সময়ত লৰাবিলাকে এটাই মহ হৈছে এটা তাৰ পিঠিত উঠিছে তাৰ পিচত আনটো মহ হৈছে সিটো তাৰ পিঠিত উঠিছে এইদৰে খেলা কৰে, কিন্তু অন্যান্য দেশত সেইসময়ত ফলমূল খায়, গাখীৰ খায় এই ধৰণৰ নানান শক্তিশালী বস্তু খায়। আমাৰ দেশৰ লৰাই সেইবিলাক খোৱা দূৰৰ কথা মহৰ খেলা খেলে ! গতিকেই আমাৰ দেশৰ শিক্ষা নীতি বিলাক সবল কৰিব লাগিব। দুপৰীয়া পানী খোৱাৰ ছুটি সময়খিনি সত ভাবে ব্যৱহাৰ কৰিব লাগিব।

আমাৰ গোটেই লৰা-ছোৱালীৰ দুপৰীয়াৰ আহাৰৰ প্ৰতি ভাল মতে লক্ষ্য ৰাখিব লাগিব তেওলোকে যাতে আজৰি সময়ত ভালমতে শিক্ষাদানত মনোনিবেশ কৰিব পাৰে। আমাৰ লৰা-ছোৱালীক পানী খোৱা চুটিত ঘৰে পৰে পঠিয়াই দিয়া হয়। তেওঁলোকৰ বাবে নিৰ্দ্দিষ্ট আচনি থাকিব লাগে। উদাহৰণ স্বৰূপে ধৰক শিৱসাগৰৰ শিৱদৌললৈ পানী খোৱা চুটিত পঠিয়াই দিব লাগে। প্ৰথমে দৌলটিৰ চিত্ৰ এটা আকিব এই দৌলটো কোনে সজাইছিল, কিমান চনত সজাইছিল; কেনেকৈ সজাইছিল তাৰ বুৰঞ্জী লৈ আহিব। তাৰ পিচত শিক্ষকক আনি সেই বিলাক দিব। তেতিয়া শিক্ষকে শিক্ষা দান

কৰিব—অমোকে এই দৌলটো সজাইছিল, ইমান চনত সজাইছিল ইত্যাদি। এই ধৰণে চিত্ৰ অংকন কৰি আনি জ্ঞান আহৰণ কৰিব পাৰিব। এই ধৰণৰ শিক্ষাৰ প্ৰতি গুৰুত্ব দিব লাগিব শিক্ষাত যাতে কোনো ধৰণৰ হেমাহি কৰা নহয়. দুখীয়া ধনী সকলো সন্তানকে জাতীয় মূলধন হিচাবে লৈ সকলোকে বাস্তৱ শিক্ষা দিব লাগিব। টকা দিয়াতকৈ সজুলি দিলে বেচি কামত আহিব। টকা দিলে উদ্দেশ্য সফল নহব। কাৰণ মাকে সেই টকাৰে ধান কিনিব। গৰুকে সজুলি দিলে উপকাৰত আহিব আৰু লাভবান হব। সেই দৃষ্টি ভঙ্গীৰে বক্তব্যৰ সামৰনি মাৰিলো আৰু সকলোকে ধন্যবাদ জনাইছো।

## ADJOURNMENT

Mr: Speaker :—The House stands adjourned till 10 a. m. of Monday, the 26th June, 1978

The House then rose at 11-30 A. M. and stood adjourned till 10 A.M. on Monday, the 26th June. 1978.

P. D. Barua
Secretary,
Assam Legislative Assembly

Dated Dispur
The 23rd June, 1978

= X =